# পৰিবৰ্ত্তনৰ প্ৰেক্ষাপটত ৰঙালী বিহু : এক অৱলোকন

অসমীয়া সমাজৰ আৰ্থ-সামাজিক পৰিকাঠামোৰ সাম্প্ৰতিক দ্ৰুত পৰিবৰ্ত্তনৰ সমান্তৰালকৈ বাপতিসাহোন বিহু পৰম্পৰাৰো পৰিবৰ্তন, পৰিসংকোচন অথবা পৰিবৰ্ধন সংঘটিত হোৱা পৰিলক্ষিত হৈছে। সমাজৰ সামগ্ৰিক পৰিবৰ্তনৰ প্ৰেক্ষাপটত এয়া তেনেই স্বাভাৱিক। পৰিয়ালৰ লাগতিয়াল খাদ্য সামগ্ৰী আৰু আনুষঙ্গিক বয়-বস্তুৰ বাবে প্ৰকৃতি নিৰ্ভৰশীল তথা অতীতত স্বাৱলম্বী অসমীয়াৰ ব'হাগ বিহুও অকৃত্ৰিম-প্ৰাকৃতিক আছিল। খাদ্য শস্য তথা নগদী শস্যৰ উৎস কৃষি আৰু কৃষিভিত্তিক ৰঙালী বিহু উৎসৱৰ মাজেৰে সমাজখন নদন বদন হৈ পৰাৰ হেপাহ, আশা-আকাঙ্খা, সম্ভাৱনীয়তা আদিৰ অৱপ্ৰকাশ নানা লোক-সাংস্কৃতিক পৰম্পৰাৰে ফুটি উঠিছিল। সময়ৰ সোঁতত পৰিবৰ্তন অপৰিহাৰ্য্য হৈ পৰে আৰু পৰিবৰ্তনৰ পৰিঘটনাত পৰম্পৰাগত লোক সংস্কৃতিৰো পৰিসংকোচন পৰিবৰ্ধন হোৱাৰ দৰে 'ৰঙালী বিহু'ৰো কিছু পৰিবৰ্তন হোৱা দেখা যায়।

সমাজত শিক্ষা বিস্তাৰ, চিন্তা চেতনাৰ প্ৰসাৰ, ব্যক্তি সকলৰ ধ্যান ধাৰণাৰ পৰিবৰ্তন আদিয়ে ব'হাগ বিহু পৰম্পৰাৰো যথেষ্ট পৰিবৰ্তন ঘটাইছে। নানা ধৰণৰ বিতৰ্কৰো সৃষ্টি হৈ আছে। পৰিবৰ্তন সমূহৰ সপক্ষে অথবা বিপক্ষে ভিন্নমত সৃষ্টি হ'লেও পৰিশীলিত ৰূপত এইবোৰ অৱধাৰিত হৈ পৰিছে। এনে পৰিবৰ্তনৰ প্ৰেক্ষাপটত ৰঙালী বিহু সম্পৰ্কে কেইটিমান দিশ পৰ্য্যালোচনা কৰাৰ বাবে এই নিবন্ধটি যুগুত কৰা হৈছে। বৰ্তমানৰ বজাৰকেন্দ্ৰিক সমাজব্যৱস্থাত ৰঙালী বিহু আৰু বিহু উৎসৱকেন্দ্ৰিক বিষয় আচাৰ-আচৰণ আদিও বজাৰমুখীতাৰ

গ্ৰাসত পৰা দেখা গৈছে। পৰম্পৰা জীয়াই ৰখাৰ স্বাৰ্থত বিহু দল, হুঁচৰি দল অথবা বিহু-সাংস্কৃতিক দল গঠন আৰু বৰ্তাই ৰখা যিদৰে অপৰিহাৰ্য্য, বৰ্তমানৰ ভোগবাদী সমাজব্যৱস্থাত এইবোৰৰ বাবে হোৱা ব্যয় আৰু উপাৰ্জনৰ ব্যৱস্থাও জৰুৰী। ব্যয় আৰু উপাৰ্জনৰ মাজেৰে স্বাভাৱিক বৈষয়িক লাভৰ থল থাকিলেহে বিহু সংস্কৃতিৰ বাহক সকল এই পৰম্পৰা অটুট ৰাখিব। এইবোৰ বৰ্তাই ৰখা কাৰ্য যথেষ্ট পৰিমানে লাভ-লোকচানৰ দ্বাৰা নিৰূপিত ব্যৱস্থাই বজাৰমুখীতাৰ কথাৰে ইঙ্গিত দিয়ে। সেইবাবে ক্ৰমান্বয়ে প্ৰাকৃতিক অৱস্থাৰ পৰা ৰঙালী বিহু পৰম্পৰাও কৃত্ৰিমতাৰ ফালে ধাৱমান হোৱা অৱধাৰিত হৈ পৰিছে অৰ্থাৎ ইয়ে এক পৰিবৰ্তনৰ ধাৰা অব্যাহত ৰাখিছে।

প্ৰাকৃতিক পৰ্য্যায়ৰ পৰা সম্প্ৰতি কৃত্ৰিমতা সম্বলিত মঞ্চত বিহু সংস্কৃতিৰ প্ৰধান উপাদান সমূহ যেনে গীত-মাত, বাদ্য-বাজনা, নৃত্য ইত্যাদি বোৰৰ প্ৰদৰ্শন আৰু উপভোগৰ মাজত ক'ব নোৱাৰাকৈয়ে বজাৰমুখী আচৰণ অনস্বীকাৰ্য্য হৈ পৰিছে। বজাৰমুখীৰূপত বিহু উৎসৱ বৰ্তমান গছতল, নৈ পাৰ আৰু মুকলি বাকৰিৰ পৰা ব্যয়বহুল সজ্জিত বিহু মঞ্চলৈ উত্তৰণ ঘটিছে। পৰিবৰ্তনৰ প্ৰেক্ষাপটত ৰঙালী বিহু বৰ্তমান সজ্জিত বিহুতলি অথবা বিহুমঞ্চত বিভিন্ন নামেৰে যেনে বিহু সন্মিলন, ব'হাগ উৎসৱ, ৰঙালী বিহু উৎসৱ, বসন্ত উৎসৱ আদিৰে পালিত হৈ আহিছে। লক্ষণীয় যে বিগত ৫০ ৰ দশকত মঞ্চলৈ পৰ্য্যবসিত হোৱা বিহু উৎসৱ দীৰ্ঘদিনলৈ নগৰীয়া অঞ্চলতে সীমিত আছিল। বৰ্তমানৰ পৰিবৰ্ত্তিত পৰিস্থিতিত ব'হাগ মাহৰ মঞ্চ বিহু সমগ্ৰ অসমৰ গাঁৱলৈ প্ৰসাৰিত হৈ পৰিছে।

মঞ্চ বিহু উদ্‌যাপনৰ বাবে বিহু সমিতি সমূহে পূৰ্বৰ ৭ দিনীয়াকৈ উদযাপন কৰাৰ পৰিবৰ্তে মাহজোৰা, কেতিয়াবা কেতিয়াবা জেঠ মাহৰো কিছু দিনলৈ পতাৰ প্ৰৱণতা আহিছিল যদিও এতিয়া অকল ব'হাগ মাহটোতে সীমিত হৈ পৰিছে। সাত দিনীয়া ব'হাগ বিহুৰ ঠাইত গোটেই মাহজুৰি ৰঙালী উৎসৱ চলি থকাৰ অন্তৰালত বহুতো কাৰণ আছে। এইবোৰ কাৰণৰ ভিতৰত প্ৰধান হ'ল - মনঃপুত গ্লেমাৰযুক্ত শিল্পী সকলক একেলগে সমগ্ৰ অসমৰ বিহু মঞ্চসমূহে বিচাৰে আৰু ব্যয়বহুল বিহু চলাবলৈ অৰ্থ সংগ্ৰহো এক দীঘলীয়া প্ৰক্ৰিয়াৰে আগবাঢ়ে। মঞ্চ বিহুৰ আগমনে প্ৰাকৃতিক বিহুৰ পৰম্পৰা ক্ৰমে নাইকিয়া কৰাৰ

উপক্ৰম ঘটাইছে। তাহানি ৰঙালী বিহু আগমনৰ উমান পোৱা গৈছিল চ'ত মাহ পৰাৰ লগে লগে। বিভিন্ন উৎসৰ পৰা পোৱা তথ্য মতে অসমীয়া ডেকা-গাভৰুৱে চ'ত মাহৰ আৰম্ভণিৰ পৰাই 'ৰাতি বিহু' মৰাৰ পৰম্পৰা আছিল। চ'তৰ ৰাতি বিহু পৰম্পৰাত থুৰীয়া তামোল, কৰফুল, বৰহমথুৰী, আহঁতৰ ছাল আদি ৰাতি বিহুলৈ নিয়াটো বৰ গৌৰৱৰ কথা বুলি বিবেচিত হৈছিল। সমগ্ৰ চ'ত মাহটো ৰাতি বিহু মাৰি সামৰণিৰ ভাগত অৰ্থাৎ ৩১ চ'তৰ গৰু বিহুৰে ৰঙালী বিহুৰ আৰম্ভ হৈছিল। গৰু বিহুকে ধৰি তাহানি মনে প্ৰাণে অসমীয়াই ক্ৰমে ৰাতি বিহু, গৰু বিহু, মানুহ বিহু, কুটুম বিহু, মেলাবিহু, জীয়াৰী বিহু আৰু চেৰা বিহু আদি ধৰণে সাত দিনলৈ অৰ্থাৎ ছয় ব'হাগলৈ ৰঙালী বিহু পালন কৰিছিল।

ওপৰত আলোচনা কৰা ধৰণে পালিত বিহুৰ সৈতে জড়িত পৰম্পৰা, আচাৰ-আচৰণ, ৰীতি-নীতিয়ে প্ৰকৃততে অসমীয়া সমাজৰ 'কৃষি নিৰ্ভৰশীলতা'ৰ প্ৰতিচ্ছবি ডাঙি ধৰে। কৃষি নিৰ্ভৰশীলতাৰ লাগতিয়াল সকলো দিশ আৰু ইয়াৰ লগতে জড়িত সামাজিক, আধ্যাত্মিক, আবেগ-অনুভূতিৰ অৱপ্ৰকাশ বিহু উৎসৱ নামৰ লোক পৰম্পৰাৰ মাজেৰে প্ৰতিফলিত হয়। সেইবাবে ৰঙালী বিহুৰ সকলোবোৰ সাংস্কৃতিক পৰম্পৰাৰ উপাদান লোক পৰম্পৰাৰ অধীন আৰু ই কৃষিকেন্দ্ৰিক। কৃষি কৰ্মৰ ঘাই উপাদান যিহেতু গৰু সেইবাবে গৰু অসমীয়াৰ সমাজত সৰ্বদা পুজিত আৰু ইয়াৰ স্থান অতি উচ্চখাপত। গৰু-গাইৰ কুশল হ'লেহে কৃষকৰ শ্ৰীবৃদ্ধি সম্ভৱ বাবেই এই উৎসৱৰ পাতনিতে গোধন পূজা কৰা হয়। গোধন পূজাৰ সৈতে জড়িত পৰম্পৰা সমূহ যেনে - মাহ-হালধি, দীঘলতি, মাখিয়তী আদিৰে গা ধুওৱা, নতুন পঘাৰে বন্ধা আদিবোৰ ক্ৰমে গোধনৰ প্ৰজনন বৃদ্ধি, ৰোগমুক্তি, কীটৰ উপদ্ৰৱ নাশ আদিৰ বাবে তাৎপৰ্য্য বহন কৰে। সন্ধিয়া গোহালিত নতুন পঘাৰে বান্ধি ধোঁৱাৰ ব্যৱস্থা কৰি বেৰ বা চালত বগৰীৰ কাইট আদি থৈ গোধনৰ অসূয়া দুৰ কৰাৰ মানস কৰা হয়। গৰুকেন্দ্ৰিক এই পৰম্পৰাও ক্ৰমান্বয়ে প্ৰতীকী ৰূপতহে সৰ্বত্ৰে দেখা পোৱা যায়। কিয়নো গোধন পোহপালৰ পৰম্পৰাতো যেন আমূল পৰিবৰ্তন আহি পৰিছে।

মানুহৰ মৌলিক প্ৰয়োজন খাদ্য, বস্ত্ৰ আৰু বাসস্থান। ইয়াৰে খাদ্য আৰু বস্ত্ৰ দুয়োবিধৰ বাবে গৰুৱে বিশিষ্ট ভূমিকা পালন কৰে। উৎপাদন কাৰ্যত

অসমীয়া কৃষকৰ প্ৰধান আহিলা গোধন বুলি বিশেষ স্থান দখল কৰি আছে। গোধন কৃষকৰ কৰ্ষনত সহায় কৰাৰ উপৰিও গাখীৰ, গোবৰ আৰু মুত্ৰ প্ৰদান কৰে। এইবোৰ ক্ৰমে উৎকৃষ্ট খাদ্য আৰু খেতিৰ উৎকৃষ্ট সাৰ। উৎপাদন যিহেতু ধৰিত্ৰীৰ ওপৰত নিৰ্ভৰশীল সেয়ে ৰঙালী বিহুৰ সৰহভাগ সাংস্কৃতিক পৰম্পৰাও ধৰিত্ৰীৰ সৈতে সংপৃক্ত। ঋতু চক্ৰৰ বসন্ত আগমনত যেতিয়া পুৰুষৰূপী বৰ্ষাই ধৰিত্ৰীক জীপাল কৰে তেতিয়া ধৰিত্ৰী লাস্যময়ী হৈ পৰে আৰু উৎপাদন-সম্ভাৱনাময়ী হৈ পৰে। এনে সন্ধিক্ষনতে অসমীয়া ডেকা-গাভৰুৱে ধৰিত্ৰীৰ সৈতে আবেগিক সম্পৰ্কত বিলীন হ'ব খোজে আৰু প্ৰজনন ধৰ্মী গীত-মাত, নাচ,গানৰ পয়োভৰ ঘটে।খাদ্য-বস্ত্ৰৰ উৎস হোৱাৰ লেখিয়াকৈ অসমীয়া সমাজৰ গৃহ নিৰ্মানৰ যাৱতীয় উপকৰণো ধৰিত্ৰীৰ প্ৰাকৃতিক পৰিবেশৰ পৰা আহৰণ কৰা হৈছিল যদিও সম্প্ৰতি ইয়াৰো পৰিবৰ্তন আহি পৰিছে। অতীজত অসমীয়া কৃষিজীৱি লোকে বাঁহ, খেৰ, মাটি আৰু গোবৰেৰে ঘৰ সাঁজিছিল। মানুহৰ তিনিওপ্ৰকাৰ মৌলিক প্ৰয়োজনৰ উৎসই যিহেতু ধৰিত্ৰী আৰু ব'হাগ বিহু যিহেতু ধৰিত্ৰীকেন্দ্ৰিক সেইবাবে এই বিহুৰ তাত্বিক ভিত্তি হ'ল ধৰিত্ৰী।

বিহু উৎসৱত ব্যৱহৃত বাদ্য, বাজনা, সাজ-পোছাক, আ-অলংকাৰ ইত্যাদিবোৰ বসন্তৰ প্ৰাকৃতিক পৰিবেশৰ অনুকূলে সজাই তোলা হয়। প্ৰাকৃতিক পৰিবেশৰ প্ৰাকৃতিক-অনুকূল উদ্ভুত উপাদানবোৰ ধৰিত্ৰীক উৎপাদন সম্ভৱা কৰাৰ বাবে উত্তেজিত কৰাৰ দৰে অসমীয়া ডেকা-গাভৰুৰ মনবোৰো উতলা হৈ উঠে। অসমীয়া ডেকা-গাভৰুৰ উতলা মন-চিত নানা সৃষ্টি বাসনাৰে ভৰি উঠে আৰু এইবোৰ নানা বৈষয়িক তথা আধ্যাত্মিক আবেগিক আচাৰ-আচৰণেৰে সাংস্কৃতিক লোক পৰম্পৰাৰ ৰূপ পৰিগ্ৰহ কৰে। অসমীয়া সমাজৰ এনে চহকী, জীৱিকা ভিত্তিক সামাজিক পৰম্পৰা সম্প্ৰতি পৰিবৰ্তনৰ ধামখুমীয়াত। পৰিবৰ্তনৰ কঢ়াল গ্ৰাসত বিহুৰ পৰম্পৰা, আচাৰ-আচৰণ সমূহ কেৱল প্ৰতীকী ৰূপতহে প্ৰচলিত হ'ব ধৰিছে। সমাজত শিক্ষাৰ প্ৰসাৰ, ভিন্নমুখী বৃত্তিত জড়িত আৰু বৃত্তিৰ ভিন্নমুখীতাৰ বৃদ্ধি, বিশ্বায়ন, বজাৰীকৰণ আৰু ইয়াৰ বিস্তাৰ, অতি বস্তুবাদীতা আদিয়ে কৃষিজীৱি অসমীয়া সমাজকো জোকাৰি গৈছে। প্ৰাকৃতিক সম্পদৰাজি বিশেষকৈ বনাঞ্চল, চৰণীয়া পথাৰ, শালনি, বিলনি, পিতনি,

কৃষিজমি আদিৰ সংকোচনৰ উপৰিও খৰতকীয়াকৈ অধিক শস্য উৎপাদনৰ হেতু গৰুৰ ঠাইত ট্ৰেক্টৰৰ আগমন, নাঙল যুৱঁলিৰ ঠাইত কিতাপ-ফলিৰ অধিক প্ৰচলন আদিয়ে সমগ্ৰ ব'হাগ বিহু ব্যৱস্থাটোকে বানিজ্যিকীকৃত কৰি তুলিছে। এনে বাতাবৰণে ভিন্নমুখী কৰ্মবৃত্তিৰ বৃদ্ধি ঘটোৱাৰ হেতু গৰু-গাই পোহপাল, ঘৰুৱা বয়ন কাৰ্য্য, অতীতত থকাৰ দৰে ঘৰ নিৰ্মাণ আদি সমূহ এলাগী কৰি তুলিছে। এনে প্ৰেক্ষাপটতেই ৰঙালী বিহুৰ প্ৰাকৃতিক পৰিবেশৰ পৰা মঞ্চ বিহুলৈ উত্তৰণ ঘটিছে। এই উত্তৰণে ব'হাগ বিহুকেন্দ্ৰিক এক বৃহৎ বজাৰ ব্যৱস্থাৰো সৃষ্টি কৰিছে। এই ব্যৱস্থাত পোনপটীয়াকৈ অথবা আওপকীয়াকৈ অসমৰ সকলো জনসাধাৰণ জড়িত হৈ পৰে। এই ব্যৱস্থাত বিহু শিল্পী, বিহু নৰ্ত্তক-নৰ্ত্তকী, বাদ্য সংগতকাৰী আৰু সিবোৰৰ নিৰ্মাতা, বিহু আয়োজক মণ্ডলী, বিহু কলা কৃষ্টি পৰিবেশক আৰু উপভোগকাৰী সকলোৰে কৰ্মৰ পৰিধিও সম্প্ৰসাৰিত হৈ পৰিছে।

ৰঙালী বিহুকেন্দ্ৰিক প্ৰসাৰিত কৰ্ম-কাণ্ডই অনেক পৰিবৰ্তনৰ মাজেৰে পুৰণি পৰম্পৰা সমূহৰ অনেক ক্ষেত্ৰতে আঘাত হনা যেন লাগে। এনে পৰিপ্ৰেক্ষিতত সময়ে সময়ে বিতৰ্কৰো সূচনা হৈ আছে আৰু বিতৰ্কসমূহৰো ইতিবাচক ফল নিশ্চয় ওলাব। বিতৰ্কৰ সূত্ৰপাত হোৱা এক শুভলক্ষণ বুলি বিবেচিত হয় কিয়নো কোনো ব্যৱস্থাই চিৰকাল একে ৰূপত অটুট থকাটো তেনেই অস্বাভাৱিক। সেইবাবে পুৰণি পৰম্পৰা সমূহক খামুচি ধৰি ৰখাৰ প্ৰৱনতাৰ বিৰুদ্ধে বাতাবৰণৰ সৃষ্টি হয় আৰু নানা সমালোচনাৰ মাজেৰে সিবোৰ এক পৰিশোধিত ৰূপ পায়। এনে ক্ষেত্ৰতে বিহু সংস্কৃতিৰ বিভিন্ন উপাদান সমূহৰো এক পৰিশীলিত ৰূপ সদায় প্ৰযোজ্য হৈ থাকক বুলিয়েই সদৌ অসম ভিত্তিত বিহু সমন্বয় সমিতি গঠিত হৈছে। উক্ত সমিতিয়ে চিন্তা-চৰ্চ্চা, আলোচনা-বিলোচনাৰে বিহু সংস্কৃতিক প্ৰকৃত 'লোক পৰম্পৰা'ৰ বৈশিষ্ট্যৰ মাজতে ৰাখিবলৈ কিছুমান বিধি-বিধানৰ ব্যৱস্থা কৰাৰ পোষকতা কৰি আছে। এই প্ৰক্ৰিয়াত সংশ্লিষ্ট সকলো জড়িত হৈ এক সমূহীয়া প্ৰচেষ্টাৰ মাজেৰে আহিব ধৰা পৰিবৰ্তন সমূহ সমূচিত ভাৱে পৰ্য্যালোচনা কৰি ইয়াৰ প্ৰকৃত লোক পৰম্পৰা ৰূপ অব্যাহত ৰাখিবলৈ সকলোৱে চেষ্টা কৰোঁ আহক।

●●●

# পৰিবৰ্তনৰ প্ৰেক্ষাপটত গৰুছটকা গাঁও ঃ এটি অৱলোকন

স্বগৃহ আৰু উলুবাৰী চুবুৰীখনকে পৃথিৱীখনৰ এক বৃহৎ অংশ বুলি বহুদিনলৈ মনত এটি ধাৰণা হৈ আছিল। যাতায়াত-যোগাযোগৰ দীনতা আৰু আৰ্থ-সামাজিক স্থবিৰতাৰে বিংশ শতিকাৰ সত্তৰৰ দশকৰ প্ৰাৰম্ভত অতি ভিতৰুৱা পিছপৰা গাঁও এখনৰ শিশু মনত এনে ধাৰণা ঠাই পোৱা স্বাভাৱিক। পৰৱৰ্তী সময়ত ক্ৰমে বহিঃদৰ্শন আৰু পঢ়া-শুনাই এনে ধাৰণাক হাস্যস্পদ বুলি প্ৰতিপন্ন কৰিলে। উলুবাৰী গাঁওখনৰ উত্তৰ দিশত থকা বিশাল নাইতাৰা চৌতাৰা বিল আমাৰ বাবে পৰম সম্পদ বুলি বিবেচিত। পৰৱৰ্তী সময়ত "ভূগোলৰ টোকা" নামৰ পাঠ্যক্ৰমৰ কিতাপত পঢ়িবলৈ পাই আমাৰ শিশু মনত কিমান আনন্দৰ বন্যা বৈছিল তাক ভাষাৰে বৰ্ণাব নোৱাৰি। এই বিলৰ উত্তৰ দিশত পাতলীয়া জুপুৰী সমষ্টি আৰু দিগন্তলৈ বিয়পি থকা সেউজীয়া গছ-গছনিৰে মাঝিপাৰা আৰু নাইতৰ গাঁও। তাহানি এই দিশত নাৱেৰে যাতায়াত সূচল আছিল। চুবুৰীখনৰ পূব, পশ্চিম আৰু দক্ষিণ দিশবোৰ সেইসময়ত শিশুসকলৰ বাবে তেনেই দুৰ্গম আছিল। পূব দিশৰ বিশাল খেতিপথাৰখন প্ৰায়ে জলমগ্ন আৰু বাওধান খেতিৰে পৰিপূৰ্ণ আছিল। পশ্চিম দিশত নোৱাৰাম পাঠকৰ জুলি (আৰ্দ্ৰভূমি)ৰ সিপাৰে অলেখ আম, কঁঠাল আৰু বিবিধ গছ-গছনিৰে অৰণ্য সদৃশ দুৰ্গম অঞ্চল অতিক্ৰম কৰি পানবড়ীলৈ যোৱা দুৰূহ আছিল। পানবড়ী চুবুৰীৰ পৰা এবাৰ বাৰিষা কালত পশ্চিম দিশত দৃষ্টি নিবদ্ধ হওঁতে দূৰত জলাশয়ৰ সিপাৰে সেউজীয়া গাঁও আমাৰ চকুত পৰিছিল। সেইবোৰ টিপলাই, চিতলমাৰী

বনগাঁও, কুঁহিয়াৰবড়ী আদি। চুবুৰীখনৰ দক্ষিণ দিশত গণেশ আৰু চিতলমাৰীৰ দীঘল ঘন-নীলা পাহাৰৰ লানি। এই পৰিসীমাৰ ভিতৰত গৰুছটকা দীঘপাৰা, গৰুছটকা হিন্দুপাৰা, গৰুছটকা পাছৰপাৰা, তেতেলীবড়ী, উলুবাৰী আদি চুবুৰীসমূহৰ সমষ্টিয়ে বৃহৎ গৰুছটকা গাঁও বুলি স্কুললৈ যোৱা দিনৰ পৰাহে আমি অৱগত হ'লো। গৰুছটকা গাঁও আৰু ইয়াৰ চৌদিশে থকা ঠাইসমূহৰ উপৰিও কেৱল অসম মুলুকতে যে এনে হাজাৰ বিজাৰ অঞ্চল আছে সেইবোৰ লাহে লাহে বুজিব পৰা হ'লো। অথচ এই কথাবোৰ আজিৰ তিনিবছৰীয়া শিশুৱে বুজি পায়। প্ৰায় অৰ্ধশতিকা সময় ব্যৱধানত জ্ঞান গৰিমাৰ আকাশলংঘী পাৰ্থক্যৰ পৰিক্ৰমা আজি আমাৰ মনত সপোন সদৃশ। মানৱ সভ্যতাৰ সামগ্ৰিক পৰিৱৰ্তনৰ ধাৰাবাহিকতাত গৰুছটকা গাঁওখনো পৰিৱৰ্তনৰ ফালে ধাৱমান।

প্ৰাক্ স্বাধীনোত্তৰ কালৰ পৰাই ধনে-ধানে-দুগ্ধে-মৎসে পৰিপূৰ্ণ আৰু স্বচ্ছল গাঁও ক্ৰমে সত্তৰৰ দশকৰ পৰা বিশেষকৈ ১৯৬৬-৬৭-৬৮ চনৰ বিখ্যাত খৰাং বতৰজনিত দুৰ্যোগৰ পৰা নেৰা নেপেৰা প্ৰাকৃতিক অপায়সমূহৰ কবলত পৰে। এই খৰাং বতৰৰ পৰৱৰ্তী সময়ত খেতি চপোৱাৰ সময়ত হোৱা প্ৰবল শিলাবৃষ্টি, প্ৰলয়ঙ্কাৰী বানপানী আৰু কৃষি-প্ৰতিকূল বতৰে কৃষিজীৱি গাঁওবাসীক আৰ্থিকভাৱে ক্ৰমে জুৰুলা কৰিব ধৰে। এনেবোৰ প্ৰাকৃতিক দুৰ্যোগৰ মোক্ষম আঘাতে গৰুছটকাবাসীৰ আৰ্থিক, সামাজিক, শৈক্ষিক আদি দিশৰ উত্তৰণ বহু স্থবিৰ কৰি ৰাখে। এই প্ৰাকৃতিক দুৰ্যোগসমূহৰ পৰিণতিত গৰুছটকা অঞ্চলৰ কৃষি ব্যৱস্থাৰ আমূল পৰিবৰ্তন ঘটে। বাওধান খেতিৰ অৱলুপ্তি ঘটাই শালি ধানখেতিৰ বহুল প্ৰচলনৰ লগতে বৰোধান খেতি আৰু পৰৱৰ্তী সময়ত অধিক অঞ্চলত দুবাৰকৈ খেতি কৰা পদ্ধতিৰ আগমন ঘটে। এনে প্ৰেক্ষাপটত জনসংখ্যা বৃদ্ধিৰ লগে লগে কৃষি ভূমিৰ সংকোচন হ'লেও উৎপাদিকা বৃদ্ধি হোৱাও পৰিলক্ষিত হয় যদিও বিলত মাছ ধৰি জীৱিকা নিৰ্বাহ কৰা সীমিত সংখ্যক কৈৱৰ্ত্তলোকৰ বৃত্তিমূলক কঠোৰ দিন আহি পৰে। এই বৃত্তিত ক্ৰমে উলুবাৰীৰ অনেক মুছলমান সম্প্ৰদায়ৰ লোকো নৈমিত্তিক আয়ৰ উৎস হিচাপে জৰিত হৈ পৰে। দীৰ্ঘদিনীয়া এনে স্থবিৰতাৰ সুদুৰপ্ৰসাৰি ফল এই গাঁৱত সাম্প্ৰতিক সময়ৰ পিছপৰা আৰ্থ-সামাজিক অৱস্থাই দাঙি ধৰে।

সৌ সিদিনালৈ অব্যাহত থকা শৈক্ষিক, চিকিৎসাকেন্দ্ৰিক অসুবিধা আৰু বিশেষকৈ যোগাযোগ-যাতায়াতৰ বিচ্ছিন্নতাই এই গাঁৱত নিম্ন শিক্ষাৰ হাৰ প্ৰকট কৰি ৰাখিছে। তদুপৰি এই অসুবিধাসমূহে গাঁওখনত ভিন্নমুখী জনসম্পদ গঢ়ি উঠাত প্ৰধান হেঙাৰ স্বৰূপ হৈ থকা পৰিলক্ষিত হয়। চিকিৎসা আৰু ব্যৱসায়িক কেন্দ্ৰতো দূৰৰ কথা ১৯৭৩-৭৪ চনলৈক এই বৃহৎ গাঁওখনৰ ছাত্ৰ-ছাত্ৰীৰ প্ৰাথমিকোত্তৰ শিক্ষা গ্ৰহণ অতি দুৰ্বিসহ আছিল। ১৯২০ -২১ চন মানত মজলীয়া শিক্ষা গ্ৰহণৰ বাবে কিছুসংখ্যক ছাত্ৰ খেকাপাৰা মজলীয়া বিদ্যালয়লৈ গৈছিল বুলি শুনা যায়। পৰৱৰ্তী সময়ত বিশেষকৈ ১৯২৭ চনৰ পৰা এই গাঁৱৰ শিক্ষাৰ্থীসকল টিপলাই মজলীয়া বিদ্যালয়লৈ গৈছিল যদিও তালৈও যাতায়ত ব্যৱস্থাৰ সুচল নাছিল। তাৰো পিছত অৰ্থাৎ ষাঠিৰ দশক বিশেষকৈ ১৯৫৫ চন মানৰ পৰা মজলীয়া শিক্ষাৰ বাবে পদুপাৰালৈও কিছু ছাত্ৰ গৈছিল। কিন্তু উচ্চ মাধ্যমিক স্তৰৰ শিক্ষা আহৰণ তেতিয়াও সহজসাধ্য নাছিল। যাতায়াতৰ সূচল ব্যৱস্থা নাথাকিলেও ১৯৬৩ চনত স্থাপিত টিপলাই হাইস্কুলখন সমগ্ৰ অঞ্চলৰ লগতে গৰুছটকাৰ যুৱক-যুৱতীৰ বাবেও শিক্ষাৰ প্ৰাণকেন্দ্ৰ হৈ পৰিছিল। পৰৱৰ্তী সময়ত পদুপাৰাত এখন হাইস্কুল স্থাপন হয়। গৰুছটকা গাঁৱৰ আশে-পাশে গঢ়ি উঠা স্কুলসমূহলৈ যাতায়াত ব্যৱস্থা সমূলি নাছিল যদিও গাঁওবাসীৰ যুৱক-যুৱতীসকলে অশেষ আহুকালৰ মাজেৰে শিক্ষা গ্ৰহণত ব্ৰতী হৈছিল। ৰাস্তা নথকা হেতু গৰুছটকাৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে বাৰিষা আৰু খৰালিৰ পাৰ্থক্য নাছিল। বাৰিষা কলগছৰ ভেল নাইবা টুলুঙা নাৱেৰে টিপলাই আৰু পদুপাৰালৈ অহা-যোৱাৰ সুবিধা আছিল। অৱশ্যে পদুপাৰালৈ আজিকোপতি যাতায়াতৰ সূচল ব্যৱস্থা হোৱা দেখা নগ'ল। আৰ্থিকভাৱে স্বচ্ছল কিছু অভিভাৱকে ছাত্ৰৰ শিক্ষা গ্ৰহণৰ বাবে হোষ্টেল, বোৰ্ডিং বা জায়গিৰ ব্যৱস্থাৰে টিপলাই, পদুপাৰা, নগৰবেৰা আদি ঠাইত ৰাখিছিল। তদানীন্তন গৰুছটকা নিবাসী এনে ছাত্ৰৰ সংখ্যা জনগাঁথনি অনুপাতে এপাছি শাকত এটা জালুক সদৃশ আছিল। পঞ্চাশ আৰু ষাঠিৰ দশকত এনে আহুকালৰ মাজেদিও পঢ়া-শুনা কৰা ব্যক্তিসকলৰ ভিতৰত ঁআব্দুছ চাত্তাৰ, ঁবঙ্কেশ্বৰ দাস, মোঃ আব্দুল হামিদ, শ্ৰীৰবীন পাঠক, ঁকান্তেশ্বৰ দাস, শ্ৰীহৰেন্দ্ৰ নাথ শৰ্মা, মোঃ

ইয়াকুব আলী, মোঃ মকবুল হুছেইন আৰু পৰৱৰ্তী সময়ত শ্ৰীক্ষীৰোদ দাস, মোঃ ছেকেন্দাৰ আলী, মোঃ মিয়াৰ আলী, মোঃ বুলমাজন সৰকাৰ, ̐ হাকিম আলী, ̐ আব্দুল মান্নাফ, মোঃ আবুল কাশেম আদি উল্লেখনীয়। এই ব্যক্তিসকলৰ মাজৰ পৰা শ্ৰীৰবীন পাঠক, মোঃ আব্দুল হামিদ আৰু ̐ আব্দুচ চাত্তাৰ সৰকাৰে উচ্চ শিক্ষা গ্ৰহণ কৰি ভাৰত চৰকাৰ আৰু অসম চৰকাৰৰ চাকৰিৰে দেশৰ সেৱা আগবঢ়ায়। ইয়াৰ পিছৰ চামৰ ভিতৰত বিশেষকৈ সত্তৰ দশকৰ প্ৰাৰম্ভত উল্লেখনীয় গৰুছটকা নিৱাসী শিক্ষানুৰাগী ব্যক্তিসকল হ'ল — ̐ চফিউৰ ৰহমান, মোঃ ৰহমতুল্লা সেখ, মোঃ হামেদ আলী সেখ, মোঃ চৈয়দ আলী, শ্ৰীহৰকুমাৰ দাস, মোঃ নাছিৰ আহমেদ আৰু পৰৱৰ্তী সময়ত মোঃ আব্দুল হুছেইন, শ্ৰীভৱানী শৰ্মা, মোঃ চুৰহক আলী, মোঃ দছিমুদ্দিন সেখ, মোঃ আব্দুচ চাত্তাৰ, মোঃ আলাউদ্দিন সেখ, মোঃ আনোৱাৰ হুছেইন, মোঃ মতিয়ৰ ৰহমান, মোঃ আলতাফ হুছেইন আদি। এইসকলৰ ভিতৰত ̐ চফিউৰ ৰহমান, মোঃ হামিদ আলী সেখ, মোঃ ৰহমতুল্লা সেখ আৰু চৈয়দ আলীকে ধৰি কেইবাজনো ব্যক্তি উচ্চ শিক্ষাৰ বাবে বিভিন্ন মহাবিদ্যালয়ত অধ্যয়ন কৰিছিল। উল্লেখযোগ্য যে ইয়াৰ পৰৱৰ্তী সময়ত অৰ্থাৎ আশীৰ দশকৰ পৰা উচ্চ শিক্ষা গ্ৰহণৰ ধাৰাবাহিকতা দ্ৰুততৰ হ'ব ধৰে আৰু সম্প্ৰতি পুৰুষৰ উপৰিও যথেষ্ট সংখ্যক মহিলাও উচ্চ শিক্ষা গ্ৰহণত ব্ৰতী হোৱা দেখা যায়। নাৰী শিক্ষাৰ প্ৰসাৰ এই অঞ্চলৰ বাবে আশাব্যঞ্জক বুলি অভিহিত কৰিব পাৰি। স্বাধীনোত্তৰ কালৰ বহু দশকলৈ ভাৰতৰ পৰিকল্পিত উন্নয়ন প্ৰকল্পৰ কোনো পৰশে এই গাঁৱত পৰা নাছিল বুলি অনুমান কৰিব পাৰি। আশীৰ দশকলৈকে এইখন বৃহৎ গাঁৱৰ সৈতে আশে পাশে থকা অঞ্চলসমূহৰ যাতায়াত ব্যৱস্থা নথকাই ইয়াৰ জল জল পট পট উদাহৰণ। ১৯৭৭ -৭৮ চনত পোন প্ৰথমবাৰৰ বাবে গৰুছটকাৰ পৰা ধনুভাঙালৈ তেতিয়াৰ বৃহৎ পঞ্চায়তৰ অধীন ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথলৈ সংযোগী পথৰ কাম আৰম্ভ হয়। পিছৰ পৰ্যায়ত সণ্চালনিকৈ উক্ত পথৰ উন্নয়ন হয় যদিও ২০০৭-০৮ বৰ্ষতহে প্ৰধান মন্ত্ৰী গ্ৰাম স্ব-ৰোজগাৰ যোজনাৰ অধীনত উক্ত পথটি পকীকৰণ হয় আৰু যাতায়াতৰ সুচল হয়। এই পথছোৱা আৰু মূল শৈক্ষিক কেন্দ্ৰ আৰু ডাকঘৰ থকা টিপলাইলৈ ক্ৰমাগতিত হোৱা পথৰ উন্নয়নে গাঁওখনলৈ ইতিবাচক

প্ৰভাৱ পেলোৱা পৰিলক্ষিত হয়।

গৰুছটকাৰ সহজ সৰল গাঁওবাসীৰ সৰ্বাঙ্গীন উন্নয়নৰ স্পৃহা আৱহমান কালৰ পৰাই উদীয়মান যুৱমানসিকতাত বিদ্যামান হৈ থকা দেখা যায়। আৰ্থিক দৈন্য আৰু সীমিত সম্বল স্বত্বেও ঐক্য, সংহতিৰ ধ্বজাধাৰী যুৱচাম সদায় উন্নয়ন ক্ষুধাত নিমজ্জিত। সত্তৰৰ দশকৰ মাজভাগত অৰ্থাৎ ১৯৬৬-৬৭ চনত এই গাঁৱৰ তদানীন্তন মুষ্টিমেয় শিক্ষিত যুৱচামে গঢ়ি তুলিছিল গৰুছটকা 'নৱযুৱক জ্ঞানবিকাশ পুথিভঁৰাল'। এখন পুথিভঁৰাল গৃহসহ প্ৰয়োজনীয় আচবাব, খেলা-ধূলাৰ সামগ্ৰী, বাদ্যযন্ত্ৰ আৰু শতাধিক গ্ৰন্থৰে পৰিপূৰ্ণ স্বেচ্ছাসেৱী যুৱ সংঘৰ জয় জয় ময় ময় অৱস্থা পৰৱৰ্তী সময়লৈ আমিও প্ৰত্যক্ষ কৰিছিলোঁ। নব্বৈৰ দশকৰ পৰা উক্ত পুথিভঁৰাল আৰু সংঘ ক্ৰমে নিচিহ্ন হ'ব ধৰা পৰিলক্ষিত হৈছিল। এই অৱলুপ্তিৰ কাৰণ আমি জনা নাছিলো। এই পুথিভঁৰালৰ পৰা কিতাপ লোৱা, দল বান্ধি এজনৰ দ্বাৰা পঠন আৰু বহুতো হোজা খেতিয়কে শুনি মানসিক খোৰাক পোৱা আমি প্ৰত্যক্ষ কৰিছিলোঁ। এই সংঘৰ জৰিয়তে গাঁওবাসীৰ পঢ়া-শুনাৰ উপৰিও গীত-মাত আৰু খেলাধূলাৰ চৰ্চা আমি দেখা পাইছিলোঁ। সেই সময়ত দক্ষিণ গোৱালপাৰাৰ বিখ্যাত ফুটবল দলসমূহৰ ভিতৰত গৰুছটকা ফুটবল দলটিও লেখত ল'বলগীয়া আছিল। এই গাঁৱত ডাঙৰকৈ এখন ফুটবল প্ৰতিযোগিতাৰ সুবাদতে অসম পুলিচ দলৰ এসময়ৰ বিখ্যাত ফুটবল খেলুৱৈ স্বৰ্গীয় কল্যাণ বড়ো গৰুছটকা খেলপথাৰত কেইবাবাৰো খেল প্ৰদৰ্শন কৰিছিল। উক্ত প্ৰতিযোগিতা আমিও এবাৰ-দুবাৰ প্ৰত্যক্ষ কৰা মনত পৰে। আমি খেলপথাৰত অহা-যোৱা কৰিব পৰা দিনত গৰুছটকাৰ সেই সময়ৰ পাকৈত ফুটবল খেলুৱৈঁ বক্তেশ্বৰ দাস, ঁআব্দুচ চাত্তাৰ সৰকাৰ, শ্ৰীপতিন দাস, শ্ৰীনিশিকান্ত দাস, মোঃ মকবুল হুছেইন, ঁচফিউৰ ৰহমান, মোঃ হামেদ আলী সেখ, মোঃ চেকেন্দাৰ আলী, মোঃ বুলমাজন সৰকাৰ, শ্ৰীক্ষীৰোদ দাস, ঁনুৰবক্ত সেখ, শ্ৰীহৰকুমাৰ দাস, মোঃ আব্দুল মান্নাফ, মোঃ নাছিৰ আহমেদ, শ্ৰীসত্ৰাজিত দাস, শ্ৰীৰত্নেশ্বৰ কলিতা আদিৰ দৰ্শনীয় ক্ৰীড়াশৈলী আমিও উপভোগ কৰিছিলো। পৰৱৰ্তী সময়ত এইসকলৰ বহুতৰে লগত বিভিন্ন প্ৰতিযোগিতাত আমিও খেলপথাৰত নামিছিলো। এই পূৰ্বজসকলৰ পৰা আমাৰ দিনলৈ সততে

উৎসাহ-উদ্দীপনা দিয়া অথচ খেলৰ সৈতে জড়িত নথকা ব্যক্তিসকলৰ ভিতৰত শ্ৰীযোগেন শৰ্মা (ঠাকুৰ) আৰু শ্ৰীধনীৰাম দাসৰ নাম বিশেষভাৱে উল্লেখনীয়। শ্ৰীযোগেন ঠাকুৰ ডাঙৰীয়াই গৰুছটকাদলৰ খেল য'তে নহওক কিয় সদায় দলৰ আগে আগে আগবাঢ়িছিল। সেই সময়ত সকলোৰে মনত ধাৰণা আছিল যে তেওঁ দলৰ সৈতে নোযোৱা মানেই খেল অনুষ্ঠিত নহ'ব। অথচ তেওঁ কোনোদিনে ফুটবল গুৰিওৱা আমি দেখা নাছিলো। খেলুৱৈ নোহোৱাকৈ আৰু এজন বিশেষ ব্যক্তি শ্ৰীধনীৰাম দাসক আমি স্থায়ী টিম মেনেজাৰ বুলিয়েই জানিছিলোঁ। শ্ৰীধনীৰাম দাসৰ সৈতে এটি বিশেষ কাহিনী জড়িত হৈ আছে যে তেওঁ গৰুছটকা ফুটবল দলটিক কোনো এক দূৰ ঠাইলৈ নিবলৈ অৰ্থ সংকট হোৱাত তেওঁৰ এহাল গৰু বিক্ৰী কৰি অৰ্থ সংকট দূৰ কৰিছিল। ফুটবল খেলৰ সেই ধাৰাবাহিকতা সম্প্ৰতি যথেষ্ট কমি গৈছে আৰু সেই ঠাইত ক্ৰমে ক্ৰিকেট খেলৰ জনপ্ৰিয়তা বৃদ্ধি হোৱা দেখা গৈছে। অৱশ্যে বৰ্তমান এই গাঁৱৰ এজন সু-সন্তান আবু উচমান আলী ১৪ বছৰ অনুৰ্ধ ভাৰতীয় ফুটবল দলত নিৰ্বাচিত হোৱাটো বৰ ইতিবাচক দিশ।

সম্প্ৰতি গাঁওখনত থকা পুৰণি প্ৰাথমিক বিদ্যালয়খন ১৯৭৩ চনত মজলীয়া বিদ্যালয়লৈ উন্নীত হয়। ইয়াৰ বহু বছৰ পিছত ১৯৯৫ চনত ইয়াৰ কাষতে এখন হাইস্কুল গঢ়ি তোলা হয় যদিও এতিয়ালৈ ই চৰকাৰীকৰণ হোৱা নাই। বৰ্তমানৰ হাইস্কুলখন আৰু খেলপথাৰখনৰ কাষতে অসম চৰকাৰৰ স্বাস্থ্য বিভাগৰ এখন ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ গঢ়ি উঠিব ধৰিছে যদিও ইয়াৰ কাম সম্পূৰ্ণ হোৱাগৈ নাই। অতি সম্প্ৰতি এই অনুষ্ঠানসমূহৰ ওচৰতে চৰকাৰৰ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ অধীনত খোৱা পানী যোগান ব্যৱস্থা গঢ়ি উঠিব ধৰিছে। এনেবোৰ সামাজিক খণ্ডৰ ভেটিয়ে গাঁওখনৰ জনসাধাৰণৰ জীৱন নিৰ্বাহৰ ওপৰত ইতিবাচক প্ৰভাৱ পেলাব বুলি আশা কৰিব পাৰি। ইয়াৰোপৰি গৰুছটকা গাঁৱৰ বিভিন্ন চুবুৰীত থকা শিক্ষাখণ্ডৰ প্ৰাথমিক স্তৰৰ বিদ্যালয়সমূহ যেনে- কঠোৰবড়ী প্ৰাথমিক বিদ্যালয় (১৯৬০), পানবড়ী প্ৰাথমিক বিদ্যালয় (১৯৫৩), বাতাপাৰা প্ৰথামিক বিদ্যালয় , গৰুছটকা আঞ্চলিক প্ৰি-ছিনিয়ৰ মাদ্ৰাছা (বেচৰকাৰী), ১ নং উলুবাৰী প্ৰাথমিক বিদ্যালয়, ২নং উলুবাৰী প্ৰাথমিক

বিদ্যালয়, তেতেলীবড়ী প্ৰাথমিক বিদ্যালয়, বাগানপাৰা প্ৰাথমিক বিদ্যালয় আদিয়ে জনসাধাৰণৰ প্ৰাথমিক স্তৰৰ শিক্ষাৰ চাহিদা পূৰণ কৰি আছে। শিক্ষা আৰু আন সামাজিক খণ্ডৰ সুবিধাসমূহৰ ধীৰ প্ৰবাহে এই অঞ্চলত ভিন্নমুখী জনসম্পদ গঢ়ি তোলাত বাধাস্বৰূপ হৈ আছে বুলি গণ্য কৰা হয়। এই অৱস্থাই গাঁওৱাসীৰ আৰ্থিক অৱস্থাৰো বিশেষ পৰিৱৰ্তন আনিব পৰা নাই। ভিন্নমুখী জনসম্পদ গঢ়ি উঠা নাই বাবে বৰ্ধিত জনসংখ্যাৰ হেঁচা প্ৰাকৃতিক সম্পদসমূহ যেনে পাহাৰ আৰু বিলৰ ওপৰত অধিককৈ পৰা দেখা যায়।

সামগ্ৰিকভাৱে সকলো দিশতে পিছপৰি থকা এই গাঁওখনত কিছুবছৰ আগলৈ সকলো উন্নয়নৰ ভেটি স্বৰূপ শিক্ষা আহৰণ এক প্ৰকাৰ অসম্ভৱ যেনেই আছিল। সত্তৰৰ দশকৰ শেষ ভাগত অৰ্থাৎ ১৯৬৫-৬৬ চন মানত শৈক্ষিক বাতাৱৰণত গৰুছটকাৰ স্মৃতি সংপৃক্ত হৈ থকা কিছু কথাৰ অৱতাৰণাৰে ঐতিহাসিক প্ৰেক্ষাপটত এভুমুকি মৰাৰ চেষ্টা কৰোহঁক। সেই সময়ৰ গাঁওখনৰ সৈতে স্মৃতি বিজৰিত বহু কথাই আজিও আমাৰ মনত দোলা দি থাকে। "শুৱনি আমাৰ গাঁওখনি অতি শুৱনি গছেৰে ভৰা, ডাল ভৰি ভৰি ....." - এই কবিতাফাঁকিৰ ভাৱৰ সাইলাখ প্ৰতিমূৰ্তি এই গৰুছটকা গাঁওখন। ২০০৮ বৰ্ষলৈকে বিজুলী সংযোগৰ পৰা বঞ্চিত আৰু সকলো দিশতে পিছপৰা গাঁওখন আধুনিক সকলো কৃত্ৰিমতাৰ পৰা বহু নিলগত। হোজা আচৰণ, সৰল মন, গভীৰ আত্মীয়তা, সহমৰ্মিতা, ভাতৃত্ব, ঐক্য, সংহতি, সম্প্ৰীতি আদি মূল্যবোধত গাঁওবাসী অতি চহকী।

আমাৰ চুবুৰীৰ পৰা সেই সময়ত গৰুছটকা প্ৰাথমিক বিদ্যালয়লৈ অকলে যোৱা সম্ভৱ নাছিল। জলাশয়, লুঙলুঙীয়া বাট আৰু জঁয়াল তেতেলী তলেৰে যাব লাগে বাবে স্কুললৈ যাবলগীয়া বয়সৰ অনেকে সংগ নথকা বাবে ঘৰতে থাকিবলগীয়া হৈছিল। আমাৰ চুবুৰী উলুবাৰীৰ পূৰ্বজসকল বিশেষকৈ মোঃ ময়ফুদ্দিন সেখ, মোছাঃ চলেমা খাতুন, মোঃ মকবুল হুছেইন, মোঃ ছেকেন্দৰ আলী, মোঃ আব্দুচ চামাদ আদি ব্যক্তিসকলে দল বান্ধি গৰুছটকা প্ৰাথমিক বিদ্যালয়লৈ যোৱা বহু ৰসাল কাহিনী পৰিয়ালৰ আড্ডাত শুনিবলৈ পাইছিলোঁ। আমাৰ বেলিকাও মোঃ আব্দুচ চাত্তাৰৰ নেতৃত্বত দল বান্ধি স্কুললৈ যোৱা পৰিক্ৰমা

চলিছিল। গছ ভৰি থকা নানা ফলৰ আকৰ্ষণ, মাছ ধৰা, চৰাই ধৰা, চৰাইৰ কণী বিচৰা, পহু খেদা, শিয়াল খেদা আদি প্ৰাত্যহিক কাৰ্যসমূহ স্কুলত আমাৰ অনিয়মীয়া উপস্থিতিৰ কাৰণ হৈ পৰিছিল। প্ৰথম স্কুললৈ অহাৰ দিনাই তেতিয়াৰ 'ক' মান শ্ৰেণীৰ এখন বিশেষ বেঞ্চৰ এটা চুকত আমাক আসন দেখুৱাই দিয়া হৈছিল। বিশেষ বেঞ্চ বুলি এইবাবেই কোৱা হৈছে যে সেইখন যথেষ্ট দীঘল শাল গছৰ বাক্‌লা কাঠেৰে নিৰ্মিত আৰু খুঁটিৰ সৈতে মজিয়াত স্থিৰ কৰা আছিল। ডেস্কবিহীন বেঞ্চখন দীঘে প্ৰায় ২৫ ফুট মান আছিল আৰু ওপৰৰ অংশ যথেষ্ট মসৃন আৰু পিছল আছিল। প্ৰথম স্কুললৈ অহা ল'ৰা-ছোৱালী সেইখন বেঞ্চত বহিব লাগে বুলি এক অলিখিত নিয়ম চলি আছিল। সেই অনুসৰি আমাৰো আনুষ্ঠানিক 'অ', 'আ', 'ক', 'খ', পঠন আৰু ১, ২, .....নেওতাৰ পাতনি হৈছিল সেইখন বেঞ্চত।

স্কুললৈ আনুষ্ঠানিক অহা-যোৱাৰ সময়ত আমি দুজন বিশেষ ব্যক্তিৰ দ্বাৰা আকৰ্ষিত হৈছিলো যিসকলক দূৰ্ভাগ্যৱশতঃ অলপ দিনৰ বাবেহে স্কুলত পাইছিলোঁ। প্ৰথম গৰাকী হ'ল - ঁ দ্বীজেন কৈৱৰ্ত্ত, হেড পণ্ডিত। শুভ্ৰ ধুতি-পঞ্জাবী পৰিহিত সু-স্বাস্থ্যৰ প্ৰকাণ্ড পেটুলা মানুহ আছিল এই পণ্ডিত গৰাকী। স্কুল চৌহদত তেখেতৰ পদাৰ্পণে সমগ্ৰ বাতাৱৰণক কাঁহ পৰি জীণ নিয়াইছিল। তেখেতৰ সৌম্য-সমাহিত আচৰণ আৰু কঢ়া শাসনে ছাত্ৰ-ছাত্ৰীসকলক সততে ভীতিগ্ৰস্ত কৰি ৰাখিছিল। পৰৱৰ্তী সময়ত বুজি পাইছিলো যে তেখেত প্ৰকৃতাৰ্থত এজন আদৰ্শ শিক্ষক আছিল। আন এগৰাকী আছিল উক্ত হেড্‌ পণ্ডিতৰ পত্নী ঁ প্ৰভাৱতী কৈৱৰ্ত্ত। এই স্কুল মাতৃগৰাকীক বহুদিনলৈ পাইছিলোঁ যদিও তেওঁৰ পৰৱৰ্তী পৰ্যায়ৰ দুৰ্বিসহ দৈন্য অৱস্থাই আমাক আজিও ব্যথিত কৰে। জীৱনৰ অন্তিম সময়লৈ অন্ন-বস্ত্ৰ-বাসস্থানৰ অভাৱৰ কঢ়াল সংকটত তেওঁ পৰিছিল। এই স্কুল মাতৃগৰাকীৰ সৈতে স্বৰ বৰ্ণৰ 'ঐ' আৰু 'ঔ'ৰ শুঁৰডাল ৰেখাংকিত কৰা আৰু তেখেতে বাৰে বাৰে শুধৰাই দিয়া কাৰ্যত আমি আজিও নষ্টালজিক।

ওপৰত আলোচনা কৰা শিক্ষক আৰু শিক্ষয়িত্ৰীৰ উপৰিও আমি পঢ়া কালত পদুপাৰা নিৱাসী ঁশামচুদ্দিন আহমেদক প্ৰধান শিক্ষক আৰু টিপ্‌লাইৰ শ্ৰীৰতিকান্ত নাথদেৱক সহকাৰী শিক্ষক হিচাপে পাইছিলোঁ। কিছুদিনৰ বাবে

চাপ্‌লাই নিৱাসী ˚হৰগোবিন্দ চক্ৰৱৰ্তীক শিক্ষক হিচাপে পাইছিলোঁ। উল্লেখনীয় যে ৰাস্তা ঘাটৰ অসুবিধা হেতু চক্ৰৱৰ্তীচাৰে ঘোঁৰাৰ পিঠিত উঠি স্কুললৈ আহিছিল আৰু আমাক নিয়মিত পাঠদান কৰিছিল। অসুখজনিত কাৰণত শ্ৰীৰতিকান্ত নাথ ছাৰৰ অনুপস্থিতিত টিপলাইৰ শ্ৰীঅৰবিন্দ নাথ ছাৰে আমাক পাঠদান কৰিছিল। আমি প্ৰথম শ্ৰেণীত থাকোঁতে অৰবিন্দ নাথ ছাৰে শ্ৰেণীত শ্ৰুতলিপি লিখিব দিছিল। শ্ৰুতলিপিত আমাৰ এটা বানানো ভুল নোহোৱাত তেখেতে ভূঁয়সী প্ৰশংসা কৰা আমাৰ নষ্টালজিক হৈ আছে। উল্লেখযোগ্য যে তৃতীয় শ্ৰেণীৰ স্কুলৰ চূড়ান্ত পৰীক্ষা হৈ যোৱাৰ পিছত ছাত্ৰ বৃত্তিৰ পৰীক্ষাৰ বাবে শ্ৰদ্ধাৰ শ্ৰীক্ষীৰোদ দাস দেৱক আমাৰ প্ৰস্তুতিত সহায় কৰাৰ বাবে বাবাই (˚ শামচুদ্দিন আহমেদ মৌলবী) এমাহৰ বাবে অনুৰোধ কৰি ঘৰলৈ মাতিছিল। তেখেতৰ শিক্ষাদানত ৰংজুলিলৈ গৈ ছাত্ৰ বৃত্তি পৰীক্ষাত আমি অৱতীৰ্ণ হৈছিলো। ফলাফল কি হ'ল আমি নাজানিলোঁ। এইখিনিতে স্মৃতি বিজৰিত এটি ঘটনাৰ কথা উনুকিয়াও। তৃতীয় মানৰ চূড়ান্ত পৰীক্ষাৰ অন্তত স্কুলৰ পৰা আনুষ্ঠানিকভাৱে বিদায় সভাৰ আয়োজন কৰা নিয়ম আছিল। বিদায় সভাৰ নিৰ্দিষ্ট দিনৰ কথা পাহৰি আমি বিলত মাছ ধৰিব গৈছিলো। আবেলি শ্ৰদ্ধাৰ ক্ষীৰোদ দাসক আমাৰ আগ চোতালত বিলৰ পৰাই দেখা পাইহে কলিজাৰ কঁপনি ধৰিছিল। আমি ডাঙৰ অপৰাধ কৰিলোঁ বুলি কিমান যে আল্লাহৰ নাম লৈছিলো তাক ভাষাৰে বৰ্ণাব নোৱাৰি। শ্ৰদ্ধাৰ ক্ষীৰোদ দাসদেৱে কিমান যে গালি পাৰিব- সেই ভয়ত পেঁপুৱা লাগিছিলোঁ যদিও তেখেতে অন্য ধৰণে সান্ত্বনা দি আমাক স্বাভাৱিক কৰি লৈছিল। কথাবোৰ ব্যক্তিগত যদিও আন কাৰো ক্ষেত্ৰত এনে দায়িত্বহীন ঘটনা সংঘটিত নহওক তাৰ বাবেহে ইয়াত উল্লেখ কৰাৰ প্ৰয়োজনবোধ কৰিছোঁ।

সমগ্ৰ সমাজ ব্যৱস্থাত পৰিৱৰ্তনৰ প্ৰেক্ষাপটত ওপৰত আলোচনা কৰা অসুবিধাসমূহে গৰুছটকা গাঁৱৰ উত্তৰণত পচ্ছাদপদতা সৃষ্টি কৰা পৰিলক্ষিত হয়। ঐতিহাসিক প্ৰেক্ষাপটত বিচাৰ কৰিলে এই গাঁওখনৰ চৰ্চিত ইতিহাস সম্বলিত কোনো ঘটনা-পৰিঘটনা জনা নাযায়। কিন্তু মানুহৰ বসতিপূৰ্ণ এই গাঁওখন কেতিয়াৰ পৰা স্থিতি লাভ কৰে তাক ঠাৱৰ কৰা টান। কিম্বদন্তিত চলি অহা

মতে এইখন অতি পুৰণি গাঁও। গাঁওখনত আদিতে সম্পূৰ্ণৰূপে শাক্ত ধৰ্মাৱলম্বী লোকহে বসতি কৰিছিল। অতি পুৰণি কালী থান, গণেশ মন্দিৰ আৰু পাহাৰৰ শিলত খোদিত বিভিন্ন মূৰ্তিৰূপেই ইয়াৰ স্বাক্ষৰ বহন কৰে। অতীজত এই গাঁৱত গাৰো, কোঁচৰাজবংশী, কৈৱৰ্ত্ত, কলিতা আৰু কিছুসংখ্যক ব্ৰাহ্মণ লোক বসবাস কৰিছিল। পৰৱৰ্তী সময়ত গৌৰীপুৰ আৰু বিজনী ৰাজৰ পৃষ্ঠপোষকতাত অবিভাজিত গোৱালপাৰা জিলাৰ বিভিন্ন ঠাইৰ নদী ভগনীয়া ইছলাম ধৰ্মাৱলম্বী কৃষকক এই গাঁৱত বসতি কৰাত সুবিধা কৰি দিয়ে। উনৈশ শতিকাৰ শেষভাগত বিশেষকৈ ১৮৭৯ চনৰ পৰা অবিভাজিত গোৱালপাৰা লক্ষীপুৰ, চুনাৰী, হাট শিঙিমাৰী আদি অঞ্চলৰ পৰা মুছলমান লোক এই গাঁৱলৈ প্ৰব্ৰজিত হয়। ঐতিহাসিক প্ৰেক্ষাপটত চাবলৈ গ'লে জমিদাৰী ব্যৱস্থাত প্ৰচলিত ৰায়ত দখলী জমিৰ নথি পত্ৰৰ বাহিৰে এই দিশত লিখিত কোনো তথ্য পোৱা নাযায়। ১৮৮৭ চনৰ ডব্লিউ, ডব্লিউ হাণ্টাৰৰ "Statistical Account of Assam" গ্ৰন্থত বৰ্ণিত পূৰ্বদ্বাৰ আৰু বিজনী ৰাজ ষ্টেটৰ বিৱৰণ আৰু গাঁওবাসীৰ জমিদাৰী ৰচিদ পত্ৰৰ পৰা এনে ধাৰণা কৰিব পাৰি। উক্ত গ্ৰন্থখনত পাৰ্শ্বৱৰ্তী ঠাই নগৰবেৰা, প্ৰাকৃতিক সম্পদ দুধনৈ নদী, কৃষ্ণাই নদী আদিৰ বাহিৰে কোনো পাহাৰ বা জলাশয়ৰ বিৱৰণ পোৱা নাযায়। উৰ্পদ বিলৰ বিৱৰণ উক্ত গ্ৰন্থত থকা হিচাপে নাইতাৰা চৌতাৰা বিলৰো বিৱৰণ থাকিব লাগিছিল। চাৰিওফালে ঘন অৰণ্য, যাতায়াতৰ বাবে দুৰ্গম আৰু প্ৰৱেশ প্ৰতিকূল অঞ্চল বুলিয়ে হয়তো উক্ত গ্ৰন্থত নাইতাৰা চৌতাৰা বিলৰ বিৱৰণ অন্তৰ্ভুক্ত নহ'ল। তৎস্বত্বেও বিভিন্ন তথ্য আৰু শুনা জনাৰ পৰা অনুমান কৰিব পাৰি যে দখলদাৰী বৃটিছ চৰকাৰৰ ৰাজহ সংগ্ৰহ আৰু বনজ সম্পদ নিষ্কাষণেৰে অৰ্থ সংগ্ৰহৰ ববে বিজনী ইষ্টেটক দিয়া দায়িত্বৰ অংশ স্বৰূপে গণেশ-চিতলমাৰী পাহাৰ অঞ্চল আৰু নাইতাৰা চৌতাৰা জলাশয় অঞ্চল সংযোগ স্থাপনৰ হেতু ১.৫ কিলোমিটাৰ দূৰত্বৰ ব্যৱধানত দুটাকৈ দ' খাৱৈ নিৰ্মাণ কৰা হৈছিল। পৰৱৰ্তী সময়ত বয়োবৃদ্ধ লোকৰ মুখে মুখে চলি অহা কথা বতৰাই এই অনুমানৰ সত্যতা প্ৰমাণ কৰে। কিম্বদন্তি আছে যে বিজনী ৰাজৰ ৰাজ বিষয়া প্ৰায়ে নাইতাৰা চৌতাৰা বিলৰ পাৰত শিবিৰ বান্ধি বাঘ-ভালুক চিকাৰ কৰাৰে পৰা নানা প্ৰজাহিতকৰ কাম কৰিছিল। অৱশ্যে আন

কিছুমানে এই গড় খাৱৈ দুটা কোনোবা ৰজাৰ সেনা চাউনী আছিল বুলি মতপোষণ কৰে। সম্প্ৰতি এই গড় দুটা নিঃচিহ্নপ্ৰায়।

বিংশ শতিকাৰ প্ৰাৰম্ভতে এই অঞ্চলৰ বিশিষ্ট সমাজ সচেতন ব্যক্তিয়ে মহাত্মা গান্ধীৰ আহ্বানত ভাৰতৰ স্বাধীনতাৰ সংগ্ৰামত যোগদান কৰে বুলি জনা যায়। স্বাধীনতা সংগ্ৰামৰ বিভিন্ন নথি পত্ৰ খুঁচৰিলে হয়তো এইসকল পূৰ্বজৰ নাম তালিকা পোৱা যাব পাৰে। ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত এই অঞ্চলৰ ভালেসংখ্যক লোক ভলণ্টিয়াৰ হিচাপে জড়িত হৈ পৰিছিল। মুখে মুখে শুনি অহা তথ্য মতে˚ আলাহু পণ্ডিত,˚ আব্দুল আজিত পণ্ডিত,˚ দেহীৰাম দাস,˚সুধীৰাম দাস,˚হৰি ঠাকুৰ,˚চিৰাজুল হক মুঞ্চি,˚ কফিলুদ্দিন সৰকাৰ,˚ চাবোন আলী দেৱানী,˚ অভয় চৰণ দেৱানী আদি তদানীন্তন বৰমুৰীয়াসকল স্বাধীনতা সংগ্ৰামৰ ভলণ্টিয়াৰ আছিল। এই লোকসকলৰ উত্তৰ-পুৰুষসকলৰ কোনো লিখিত সমল থাকিলে যতনাই ৰাখিবলৈ এই চেগতে অনুৰোধ কৰা হ'ল। এইসকল লোকৰ অহোপুৰুষাৰ্থৰ বলত হয়তো স্বাধীনতাৰ বহু পূৰ্বেই গৰুছটকা প্ৰাথমিক বিদ্যালয় গঢ় লৈ উঠিছিল। এই বিদ্যালয়খনে গাঁওখনৰ সকলো উত্তৰণৰ ঘাই খুঁটা বুলি অভিহিত কৰা হয়। সাম্প্ৰতিক প্ৰেক্ষাপটত ওচৰ চুবুৰীয়া অনেক গ্ৰামাঞ্চল সামগ্ৰিক উন্নয়নৰ ওখ ঢাপত আৰোহণ কৰা দেখা যায়। তুলনামূলকভাৱে গৰুছটকা গাঁও এতিয়াও অনেক পিছুৱাই আছে যদিও সাম্প্ৰতিক পৰিৱৰ্তনৰ ধাৰা অব্যাহত থাকিলে লেহেমীয়া গতিৰে হ'লেও আন গাঁৱৰ সমকক্ষ হ'বলৈ বেছি বাট নাই। সাম্প্ৰতিক সময়ৰ গৰুছটকা গাঁৱৰ যুৱ চাম আৰু শিক্ষিত শ্ৰেণীৰ উপযুক্ত চিন্তা-চৰ্চা আৰু ইতিবাচক কাৰ্যাৱলী দ্ৰুত পৰিৱৰ্তনৰ কাৰক হ'ব বুলি আশা কৰিব পাৰি।

•••

# বজাৰ অৰ্থনীতি আৰু গোৱালপাৰা জিলা

**বজাৰৰ ধাৰণা ঃ**

মানুহৰ জীৱন জীৱিকা যথাযথ ভাবে অব্যাহত ৰাখিবলৈ দুটা মৌলিক অৰ্থিক কাৰ্যক্ৰম ভোগ আৰু উৎপাদনৰ সৈতে সমাজৰ প্ৰত্যেকে জড়িত হ'বলগীয়া হয়। ভোগ কাৰ্যত ব্যৱহৃত সকলো দ্ৰব্য সামগ্ৰী কোনেও নিজাববীয়াকৈ উৎপাদন কৰিব নোৱাৰে বাবে আন এক আৰ্থিক কাৰ্য 'বিনিময়'ৰ উদ্ভৱ হৈছে। উৎপাদিত দ্ৰব্য-সামগ্ৰী সমাজৰ বিভিন্ন শ্ৰেণীৰ লোকৰ মাজত বিতৰণ হেতু বিনিময়ক কেন্দ্ৰ কৰি হাট বা বজাৰ ধাৰণাৰ উৎপত্তি হৈছে। বিনিময়ক কেন্দ্ৰ কৰি উদ্ভৱ হোৱা আৰ্থিক ব্যৱস্থাটোৰ সৈতে বজাৰ অৰ্থনীতি সাঙোৰ খাই পৰে। সচৰাচৰ বুজি পোৱাতকৈ অৰ্থ শাস্ত্ৰত বজাৰ ধাৰণা বেলেগ। কোনো বস্তুৰ দামৰ মাজেৰে ক্ৰেতা আৰু বিক্ৰেতাৰ সংস্পৰ্শৰ জৰিয়তে বস্তুবিধৰ বিনিময় কাৰ্য সম্পন্ন কৰাৰ বাবে উদ্ভৱ হোৱা ব্যৱস্থাটোকহে অৰ্থশাস্ত্ৰত বজাৰ হিচাপে আখ্যায়িত কৰা হয়। এই ধাৰণামতে কোনো বস্তুৰ নামেৰেহে বজাৰৰ নামকৰণ কৰা হয় যেনে চাহৰ বজাৰ, সোণৰ বজাৰ, শ্ৰমিক বজাৰ, মূলধনী বজাৰ ইত্যাদি। মুক্ত অৰ্থ ব্যৱস্থাত সমাজৰ লোকসকলৰ আৰ্থিক কামকাজসমূহ বজাৰ অৰ্থনীতিত প্ৰতিফলিত হয়।

পৰম্পৰাগত অৰ্থত আমাৰ সমাজত বজাৰ ধাৰণা বেলেগ ধৰণে বুজা যায়। নিৰ্দিষ্ট দিন বা সময়ত লাগতিয়াল বিভিন্ন বস্তুৰ বাবে ত্ৰেতা-বিক্ৰেতা মিলিত হৈ বিনিময় কাৰ্য সংগঠিত কৰা নিৰ্দিষ্ট ঠাইক বজাৰ বুলি সাধাৰণ মানুহে বুজে। আমাৰ সমাজত বজাৰ প্ৰসাৰৰ ভেটি কোনো স্থান বা বাৰ বুলি ধৰি লৈ ইয়াৰ বিভিন্ন দিশ পৰ্যালোচনা কৰিব পাৰি। আমাৰ পৰম্পৰাগত হাট বা বজাৰৰ উৎপত্তিৰ সৈতে সেইবাবে কোনো ঠাই অথবা বাৰ জড়িত হৈ আছে। সেইবাবে

এতিয়াও আমাৰ বজাৰসমূহ বাৰৰ নামেৰে যেনে—সোমবৰীয়া, বুধবৰীয়া, শুকুৰবৰীয়া, ইত্যাদি আৰু ঠাইৰ নামেৰে যেনে—ধূপধৰা, দুধনৈ, লক্ষীপুৰ, বালিজানা আদি নামেৰে জনাজত হৈ আছে। অতীজত বস্তু বিনিময় প্ৰথা প্ৰচলিত আছিল বাবে ক্ৰেতা-বিক্ৰেতা সকলো সুবিধাজনক ঠাইত বস্তু সালসলনি কৰিবলৈ মিলিত হৈছিল। বস্তু বিনিময়ৰ বাবে মিলিত হোৱা এনে ঠাইতসমূহ কালক্ৰমত স্থায়ী জনসমাগমেৰে চহৰমুখী ৰূপ পৰিগ্ৰহ কৰিব ধৰে। কালক্ৰমত বিনিময়ৰ মাধ্যম হিচাপে সহজ আৰু সুবিধাজনক টকা-পইচাৰ প্ৰচলন হওঁতেও পুৰ্বৰ পৰম্পৰাৰ আধাৰত হাট বা বজাৰ ধাৰণাটো সাধাৰণ মানুহে বুজাৰ দৰে সমাজত প্ৰচলিত হৈ থাকিল।

**বজাৰ আৰু সামাজিক গতিশীলতা ঃ**

আমাৰ সামাজিক ব্যৱস্থা গতিশীল কৰি ৰখাত প্ৰচলিত বজাৰ ব্যৱস্থাই বিশেষ ভুমিকা পালন কৰি আহি আছে। জনসংখ্যা বৃদ্ধি আৰু সমাজ বিৱৰ্ত্তনৰ সমান্তৰালকৈ মানুহৰ বৰ্দ্ধিত উদ্ভাৱন, বৰ্দ্ধিত প্ৰয়োজন, ইত্যাদিৰ বাবে সম্প্ৰসাৰিত অৰ্থ ব্যৱস্থাই হাট বজাৰৰো প্ৰসাৰ ঘটাই আছে। কৃষি, উদ্যান, মীন, খনি, উদ্যোগ, বয়ন, আদি খণ্ডৰ বিভিন্ন প্ৰকাৰৰ দ্ৰব্য-সামগ্ৰীৰ ৰাহিখিনি নথকা সকলক পোৱাৰ সুবিধাৰ্থে বজাৰলৈ বিক্ৰীৰ বাবে অনা হয়। ইয়াৰ বিপৰীতে ক্ৰেতাসকলে প্ৰয়োজনীয় বস্তু সামগ্ৰী গোটাবলৈ বজাৰলৈ ঢাপলি মেলে। ক্ৰেতা-বিক্ৰেতাই এই প্ৰক্ৰিয়াৰে এক সম্পৰ্কলৈ আহে। এনে মানৱীয় সম্পৰ্কই হাট বা বজাৰ নামৰ আৰ্থ-সামাজিক অনুষ্ঠানটিৰ জন্ম দিছে। এই আৰ্থ-সামাজিক অনুষ্ঠানে বিভিন্ন জাতি গোষ্ঠীৰ মিলনভূমিত পৰিণত কৰাৰ উপৰিও ক্ৰেতাসকলক উপভোগৰ সুবিধা দিছে আৰু বিক্ৰেতাই অথবা উৎপাদকসকলক অৰ্জনৰ সুবিধা প্ৰদান কৰিছে। তদুপৰি ই স্বতঃস্ফুৰ্ত্ত ভাবে গঢ়ি উঠা এক সাৰ্বজনীন অনুষ্ঠানলৈ ৰূপান্তৰিত হৈছে। যি কোনো হাট বা বজাৰ এনে এখন মিলনক্ষেত্ৰ য'ত আবাল-বৃদ্ধ-বনিতাকে ধৰি সকলো জাতি, বৰ্ণ, ভাষা, গোষ্ঠী, ধৰ্ম্মাৱলম্বীলোকৰ অনায়াসে প্ৰবেশৰ সুবিধা থাকে। সাম্প্ৰতিক সভ্যতাত বজাৰহীন এখন অঞ্চল কল্পনাৰো অতীত।

হাট বা বজাৰে কোনো অঞ্চলৰ আৰ্থ-সামাজিক অৱস্থা গতিশীল কৰি

ৰখাৰ উপৰিও ইয়াৰ প্ৰসাৰে সংশ্লিষ্ট অঞ্চলৰ আৰ্থিক প্ৰগতিত অৰিহণা যোগায়। ইয়াৰ প্ৰসাৰে পোনাপটীয়াকৈ অথবা আওপকীয়াকৈ সংশ্লিষ্ট সকলোৰে জীৱন জীৱিকাত ইতিবাচক প্ৰভাৱ পেলায়। সেইবাবে কোনো অঞ্চলৰ জন সাধাৰণৰ জীৱন নিৰ্বাহৰ মান নিৰ্ধাৰণকাৰী উপাদানসমূহৰ ভিতৰত হাট বা বজাৰ প্ৰসাৰো অন্যতম বুলি গণ্য কৰা হয়। এই কথাৰ সত্যতা প্ৰমাণ কৰিবলৈ ১৭ শ শতিকাৰ ইউৰোপীয় সমুদ্ৰতীৰ, নদীকেন্দ্ৰিক ব্যৱসায়িক কেন্দ্ৰবোৰ আৰু ভাৰতবৰ্ষৰ সাগৰ তথা নদী বন্দৰবোৰৰ কথা উনুকিয়াব পাৰি। প্ৰাচীন কালতে সদাগৰসকলৰ এনেবোৰ মিলন ক্ষেত্ৰত হাট বহাৰ সুবাদতে সেই ঠাইসমূহৰ উন্নয়নৰ ধাৰাবাহিকতা আৰম্ভ হৈছিল। সাম্প্ৰতিক সময়তো এইবোৰ ঠাইত ঠন ধৰি উঠা মহানগৰসমূহ পৃথিৱীৰ অতি উন্নত ঠাইসমূহৰ ভিতৰত অন্যতম লেখত ল'বলগীয়া ঠাই হিচাপে চিহ্নিত হৈ আছে।

**বজাৰ প্ৰসাৰ আৰু গোৱালপাৰা জিলা ঃ**

তথা কথিত হাট বা বজাৰ প্ৰসাৰৰ প্ৰেক্ষাপট পৃথিৱীৰ সকলো ঠাইতে প্ৰায় একে বাবে ই বিশ্বজনীন আৰ্থ-সামাজিক অনুষ্ঠান হিচাপে প্ৰতিপন্ন হৈছে। এই অনুষ্ঠানলৈ অগনন লোকৰ সমাগম ঘটে আৰু ই এক নিৰ্দিষ্ট অঞ্চল বা দেশতে সীমিত হৈ নাথাকে। বৰং পোনপটীয়াকৈ হওঁক বা আওপকীয়াকৈ হওঁক ই সকলো প্ৰকাৰৰ ভৌগোলিক পৰিসীমা অতিক্ৰম কৰে। সাম্প্ৰতিক বিশ্বায়নৰ প্ৰভাৱত এনে ধাৰাবাহিকতা প্ৰযোজ্য হৈছে। গোৱালপাৰা জিলাৰ বজাৰ প্ৰসাৰৰ প্ৰেক্ষাপটো ইয়াতকৈ ভিন্ন নহয়। তৎসত্বেও স্থানীয় বৈশিষ্ট্যৰ আধাৰত বৰ্তমানৰ গোৱালপাৰা জিলাখনৰ হাট বা বজাৰ প্ৰসাৰৰ বিভিন্ন দিশ তলত বিশ্লেষণ কৰাৰ প্ৰয়াস কৰা হ'ল।

স্থানীয় ভাবে উৎপাদিত বস্তু বিপননৰ বাবে মিলিত হোৱা ঠাই অৰ্থাৎ হাট বা বজাৰৰ স্থান যাতায়াত সুচলতাৰ ওপৰত নিৰ্ভৰশীল। পূৰ্বতে যাতায়াতৰ সমল বুলি ক'লে জলযোগাযোগৰ কথাকে বুজা গৈছিল। স্থলপথৰ সম্প্ৰসাৰণ হোৱাৰ পূৰ্বে নদী বা নদী সংলগ্ন জলাশয়ৰ পাৰত প্ৰাচীন কালৰ পৰাই এইখন জিলাত হাট বা বজাৰ ব্যৱস্থাৰ প্ৰচলন হ'ব ধৰে। এই জিলাৰ উত্তৰেৰে বৈ যোৱা মহাবাহু ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈসমূহ চুনাৰী, জিঞ্জিৰাম, বলবলা,

কৃষ্ণাই, দুধনৈ, দেওশীলা আদিক কেন্দ্ৰ কৰি অতীজৰে পৰা হাট বা বজাৰ গঢ়ি উঠিব ধৰে। বনজ সম্পদত চহকী জিলাখনৰ নদীকেন্দ্ৰিক স্থানবোৰ বিশেষকৈ চুনাৰী, লক্ষীপুৰ, গোৱালপাৰা চহৰ, দলগোমা, বলবলা, মৰনৈ, শিমলীতোলা, কৃষ্ণাই, দুধনৈ আদি ঠাইত বৃটিছ ৰাজৰ আগৰ পৰাই হাট বজাৰ প্ৰসাৰ হ'ব ধৰে। পূৰ্বতে দৈনন্দিন বস্তু কিনা-বেচাৰ কেন্দ্ৰ ৰূপে পৰিগণিত হোৱাৰ উপৰিও বিভিন্ন বনজভিত্তিক বস্তু বিপণীৰ কেন্দ্ৰ হিচাপে এইবোৰ ঠাই বিখ্যাত হৈ পৰে। জলপৰিবহনৰ সূচল এনেবোৰ ঠাইত পৰম্পৰাগত ভাবে প্ৰতি সপ্তাহত এদিন অথবা দুদিনকৈ হাট বহিছিল। ক্ৰমে স্থলপথৰ উন্নয়নে পৰৱৰ্তী সময়ত ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ বিভিন্ন কাষৰীয়া ঠাই আৰু ইয়াৰ সংলগ্ন পথসমূহক কেন্দ্ৰ কৰি প্ৰায়বোৰ জনবসতিপূৰ্ণ স্থানত এনে বজাৰ গঢ়ি উঠিব ধৰে। প্ৰাক স্বাধীনতা কালৰ পৰাই কাষৰীয়া মেঘালয় (পূৰ্বৰ গাৰো পাহাৰ)ত প্ৰচুৰ পৰিমানে উৎপাদন হোৱা কপাহৰ আমদানিয়ে এনেবোৰ বজাৰ প্ৰসাৰত বিশেষ ভূমিকা পালন কৰিছিল। পৰৱৰ্তী সময়ত কপাহ উৎপাদন হ্ৰাস হোৱাৰ পৰিণতিত সেই স্থান সম্প্ৰতি পুৰ কৰি আছে বিভিন্ন প্ৰকাৰৰ উদ্যান শস্যই। অতীজৰ পৰাই গোৱালপাৰা জিলাখন কৃষি, কৃষি আনুষঙ্গিক শস্য, উদ্যান শস্য, ৰেচম আদি উৎপাদনত বিশেষ স্থান দখল কৰি আহিছে। সম্প্ৰতি এইসমূহ খণ্ডৰ উৎপাদিত সামগ্ৰী আৰু ক্ষুদ্ৰ বনজ ভিত্তিক সামগ্ৰীয়ে জিলাখনৰ বজাৰ প্ৰসাৰত বিশেষ মাত্ৰা প্ৰদান কৰা পৰিলক্ষিত হৈছে। প্ৰাক্-স্বাধীনতা আৰু স্বাধীনোত্তৰ কালছোৱাত গোৱালপাৰা জিলাখন মৰাপাট উৎপাদন আৰু বিপণীৰ অন্যতম অঞ্চল হিচাপে জনাজাত আছিল। এই বিধ শস্যৰ বিপনীক কেন্দ্ৰ কৰি দলগোমা, শিমলীতোলা, চুনাৰী, লক্ষীপুৰ আদিত বজাৰ প্ৰসাৰ প্ৰভাৱিত হৈছিল। তদুপৰি অতি পূৰ্বৰে পৰা ব্ৰহ্মপুত্ৰ নদীৰ উপনৈসমূহৰ দ্বাৰা যোগাযোগৰ সুচল স্থান দুধনৈ, কৃষ্ণাই, লক্ষীপুৰ আদিত বনজভিত্তিক সামগ্ৰী বিপণীৰ সুবিধাই বজাৰ বিস্তাৰত প্ৰভাৱ পেলাইছিল। পৰৱৰ্তী সময়ত পৰিৱেশ সজাগতা বৃদ্ধি আৰু আইনী ব্যৱস্থাই বনজভিত্তিক সামগ্ৰীৰ বিপণী সংকুচিত কৰি আনে যদিও এতিয়াও বিভিন্ন প্ৰকাৰৰ ঘৰুৱা আঁচবাবৰ উৎভৈনদীয়ে বজাৰ প্ৰসাৰত অৰিহণা যোগাই আছে।

ভাৰতবৰ্ষৰ স্বাধীনতাৰ দোকমোকালিতে দেশৰ অৰ্থব্যৱস্থাৰ দ্ৰুত

পৰিৱৰ্ত্তনৰ বাবে পথ সংযোগ উন্নয়নত গুৰুত্ব প্ৰদান কৰা হৈছিল। গোৱালপাৰা জিলাৰ সোঁমাজেৰে ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ উন্নয়নে পোনতে ধূপধৰা, দৰংগিৰি, দুধনৈ, কৃষ্ণাই, বলবলা, আগিয়া আদি ঠাইত বজাৰৰ দ্ৰুত বিকাশত প্ৰভাৱ পেলায়। পাৰ্শ্বৱৰ্ত্তী মেঘালয় ৰাজ্য আৰু ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ দক্ষিণাঞ্চলৰ প্ৰচুৰ পৰিমানে উদ্যান শস্য যেনে কল, মাটিকঁঠাল, কঁঠাল, তামোল, কমলাটেঙা, নেমু, আদা, মধুৰীআম, বিভিন্ন প্ৰকাৰৰ শাক-পাঁচলি আদিৰ উৎপাদন হয়। সম্প্ৰতি এই সমূহ সামগ্ৰী বিপণীয়ে এই জিলাখনক বিশেষ মৰ্যদা প্ৰদান কৰি আছে। উদ্যান শস্য আৰু ঔষধি উদ্ভিদ ভিত্তিক বৃহৎ ব্যৱসায়ৰ সমান্তৰালকৈ এই জিলাত নাৰ্চাৰী ভিত্তিক বৃহৎ বজাৰ এখন গঢ়ি উঠিছে। সেইদৰে ৰেচম শিল্পৰ এড়ি, মুগা আদি উৎপাদনৰ প্ৰচুৰ সম্ভাৱনা থকা জিলাখনত উৎপাদিত সামগ্ৰীৰ বিপণীয়ো এই জিলাখনৰ অৰ্থনীতিত যথেষ্ট বৰঙণি আগবঢ়াই আছে। মন কৰিবলগীয়া যে স্বাধীনতাৰ দোকমোকালিতে এইখন জিলাত চৰকাৰী পৃষ্ঠপোষকতাৰে সম্ভাৱনাপূৰ্ণ ৰেচম শিল্পৰ বাবে ১৯৫০-৫২ চনত আগিয়া আৰু ধনুভাঙাত এড়িমুগা উৎপাদন ভিত্তিক বৃহৎ আকাৰৰ প্ৰতিষ্ঠান গঢ়ি তোলা হৈছিল। এই প্ৰতিষ্ঠানসমূহৰ প্ৰভাৱত জিলাখনত এইবোৰ সামগ্ৰীৰ উৎপাদন বৃদ্ধি হয় আৰু এই বজাৰে ৰাষ্ট্ৰীয় প্ৰেক্ষাপটত জনাজাত হৈ পৰে। অতি সম্প্ৰতি এই সমূহ বজাৰ কৃষি তথা কৃষি আনুষঙ্গিক খণ্ড যেনে উদ্যান শস্য আৰু পশুধন বিপণনৰ প্ৰাণকেন্দ্ৰ হৈ পৰিছে। উদ্যান শস্য উৎপাদন বৃদ্ধিৰ অধিক সম্ভাৱনা থকা জিলাখনৰ প্ৰায়বোৰ বজাৰ 'জিলা মাৰ্কেটিং বোৰ্ড'ৰ জৰিয়তে উন্নয়নৰ ব্যৱস্থা হাতত লোৱা হৈছে। তদুপৰি বিশ্ববেংকৰ সহযোগিতাত অসম চৰকাৰে ACCP আঁচনিৰ যোগেৰে গোৱালপাৰা জিলাৰ তিনিখন বজাৰ ক্ৰমে ধূপধৰা, দৰংগিৰি আৰু সুতাৰপাৰা বৃহৎ বজাৰ উন্নয়ন প্ৰকল্পৰ কাম আগুৱাই লৈ আছে। উল্লেখযোগ্য যে ক্ষশস্থায়ী দ্ৰব্য বিশেষকৈ কল মজুত কৰি অইন ঠাইলৈ বিপণীৰ সুবিধাৰ বাবে দৰংগিৰিত অনেক পূৰ্বেই শিতলীকৃত গুদাম গৃহ নিৰ্মাণৰ কাম হাতত লোৱা হৈছিল যদিও ই বিশেষ কাৰ্যক্ষম হৈ উঠাগৈ নাই। এনে সামগ্ৰী অইন অঞ্চলৰ পৰা এই জিলাত বিপণীৰ বাবে গোৱালপাৰা চহৰত ব্যক্তিগত খণ্ডত বাতানুকুলিত ভঁৰাল নিৰ্মাণ হোৱা বুলি জানিব পৰা গৈছে।

**বজাৰ আধুনিকীকৰণ ঃ**

বজাৰৰ আধুনিক ধ্যান-ধাৰণা মতে ইয়াক এটা আৰ্থিক প্ৰক্ৰিয়া বুলি অভিহিত কৰা হয় য'ত পৰাপক্ষত কম ব্যয়েৰে ভোক্তাসকলে সামগ্ৰী উপভোগ কৰিব পাৰে, উৎপাদকসকলে উচিত মূল্য পাব পাৰে আৰু সংশ্লিষ্ট সকলোৱে বজাৰৰ লাভালাভ আহৰণ কৰিব পাৰে। অৰ্থাৎ উন্নত বজাৰ ব্যৱস্থাই সমাজত সামূহিক কল্যাণ সাধন কৰে। কোনো অঞ্চলৰ দ্ৰুত উন্নয়নৰ অন্যতম প্ৰাকচৰ্ত্ত হৈ পৰিছে বজাৰৰ আধুনিকীকৰণ। সেইবাবে আধুনিকীকৰণে উৎপাদকসকলক অধিক উৎপাদনৰ বাবে উৎসাহিত কৰাৰ লগতে অগণন লোকৰ নিয়োগ সুবিধা বৃদ্ধি কৰে। কোনো বস্তু বজাৰলৈ অহাৰ লগে লগে উৎপাদকৰ লাভৰ প্ৰত্যাশা জন্মে আৰু বস্তুবিধৰ বিপণীৰ বিভিন্ন চেনেলৰ সৃষ্টি কৰে। বিস্তৃত চেনেলসমূহে পৰ্যায়ক্ৰমে অন্তিম পৰ্যায়ৰ গ্ৰাহকলৈ প্ৰসাৰিত হৈ ক্ৰমে সেৱা খণ্ডৰ বিস্তাৰত প্ৰভাৱ পেলায়। এইদৰে বজাৰৰ আধুনিকীকৰণে অঞ্চল একোটাৰ আৰ্থিক পট পৰিৱৰ্ত্তনত ভূমিকা গ্ৰহণ কৰে।

**মন্তব্য ঃ**

প্ৰশাসনীয় কাম্যতম উপযুক্ততা আহৰণৰ বাবে এক দীৰ্ঘ পৰিক্ৰমাৰ মাজেৰে গোৱালপাৰা জিলাখন সংকুচিত হৈ বৰ্তমান ১৮২৪ বৰ্গ কিলোমিটাৰ জুৰি বিস্তৃত হৈ আছে। ইং ২০১১ চনৰ লোকপিয়লমতে এই জিলাৰ জনসংখ্যা ১০,০৮৯৫৯ জন। এই জনসংখ্যাৰ ৬৮.৬৭ শতাংশ সাক্ষৰ আৰু ৮৬.৩৪ শতাংশ লোক গ্ৰামাঞ্চলত বসবাস কৰে। বৃহৎ আৰু মজলীয়া উদ্যোগৰ সম্ভাৱনীয়তা নথকা জিলাখনৰ আৰ্থিক উন্নয়নৰ সম্ভাৱনাপূৰ্ণ উৎস হ'ল কৃষি আৰু কৃষি আনুষংগিক খণ্ডসমূহ। গ্ৰাম্য ভিত্তিক কৃষি, উদ্যান, মীন আৰু পশুধন আদি খণ্ড সমূহৰ কাম্য বিকাশ বহু পৰিমাণে বাণিজ্যিকীকৰণৰ ওপৰত নিৰ্ভৰশীল। ইয়াক সম্ভৱ কৰি তুলিব পাৰিলে সমান্তৰালভাৱে সেৱা খণ্ডৰো বিকাশ ত্বৰান্বিত হ'ব। সেইবাবে ঐতিহ্যমণ্ডিত জিলাখনৰ বজাৰসমূহ আধুনিকীকৰণৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰা উচিত আৰু জনসাধাৰণো এইক্ষেত্ৰত সজাগ হোৱাৰ সময় সমাগত।

●●●

# বিহঙ্গম দৃষ্টিৰে মাছলাম গাঁও

**অৱতৰণিকা ঃ**

অসমীয়া জাতি গঠন প্ৰক্ৰিয়াত অনুসূচীত জনজাতিসমূহৰ অন্যতম "ৰাভা জনগোষ্ঠী"ৰ অৱদান অপৰিসীম। গ্ৰাম্য অঞ্চলত বাস কৰা কৃষি নিৰ্ভৰশীল ৰাভা লোক সকল আবহমান কালৰ পৰা নানা ঘাত-প্ৰতিঘাতৰ মাজেৰে অসম মুলুকৰ বিভিন্ন ঠাইত সিঁচৰিত হৈ বসতি কৰি থকাৰ উপৰিও চুবুৰীয়া ৰাজ্য সমূহ তথা বাংলাদেশতো বৰ্ত্তমান বসতি কৰি আছে। মোগল আক্ৰমণ, মান আক্ৰমণ, নানা প্ৰাকৃতিক দুৰ্যোগ, সামন্ত প্ৰথাৰ অৰিয়া-অৰি আদিৰ মাজেৰে বগে, বেকেলী, হাহিম, আঠিয়াবাৰী, মাক্‌ৰি, কল্যানপুৰ, পেদালডোবা, বৰজোৰা, দদান, ৰংচাই আদিৰ ঐতিহ্য বুকুত বান্ধি মহাবাহু ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰে কামৰূপ গোৱালপাৰাৰ বিস্তৃত অঞ্চলত ৰাভা জনগোষ্ঠীৰ লোক অধিককৈ পুঞ্জিভূত হৈ আছে। ছাৰা কান্দা শিল, ৰাজা কান্দা পাহাৰ, দেউৰী পাৰা, আদিৰ বিযাদ আৰু ঐতিহ্যক সাবটি সুকীয়া পৰিচয়েৰে অসমখনক নানা উপাদানেৰে চহকী কৰা জনগোষ্ঠীটো বিধি অনুসৰি সম্প্ৰতি স্বায়ত্ব শাসনৰ আওতাত আহিবলৈ সক্ষম হৈছে। ৰাভা ঐতিহ্য আৰু পৰম্পৰাৰে বৃহৎ জনগোষ্ঠীটোৰ এটা বৃহৎ গোট মাছলাম গাঁৱত বসবাস কৰি আছে। দুধনৈ পূৰ্ব্বাঞ্চল ৰাভা সমাজৰ অধীনত অতি পুৰণি মাছলাম গাঁওখনত বসবাস কৰা ৰাভাগোষ্ঠীৰ আৰ্থ সামাজিক অৱস্থাৰ এটি সংক্ষিপ্ত ৰেহৰূপ পৰ্যালোচনা কৰাৰ

বাবে এই নিবন্ধটিৰ অৱতাৰণা কৰা হৈছে।

**ভৌগলিক অৱস্থান আৰু জনগোষ্ঠী ঃ**

গোৱালপাৰা জিলাৰ কোঠাকুঠি গাঁও পঞ্চায়তৰ অধীন এই গাঁওখন মাছলাম ১ম খণ্ড আৰু ২য় খণ্ড ৰাজহ গাঁও নামেৰে নথিভূক্ত। প্ৰায় চাৰি বৰ্গ কি.মি জুৰি বিস্তৃত গাঁওখনক কামাখ্যা যোগীঘোপা ব্ৰড্‌গজ ৰেল পথেৰে দুভাগত ভাগ কৰা পৰিলক্ষিত হৈছে। সোণালীপাৰা, জাকুৱাপাৰা, ওলমাপাৰা, বৰকোণা, বামুনপাৰা, আৰু বাহুডাঙা চুবুৰীৰে বৃহৎ মাছলাম গাঁও বুলি পৰিচিত গাঁওখন প্ৰায় ২৫০ টা গৃহস্থৰ বসতিস্থল। বাহুডাঙাৰ কেইঘৰমান বাঙালী আৰু কেইঘৰমান ৰাজবংশী মানুহৰ বাহিৰে গাঁওখন সম্পূৰ্ণ ৰূপে ৰাভা প্ৰধান গাঁও। এইখন গাঁৱত প্ৰায় ১৪০০ ৰাভা জনগোষ্ঠীৰ লোক বসবাস কৰে। ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ কাষত অৱস্থিত গাঁওখনৰ উত্তৰ দিশত বৃহৎ বানাদল পথাৰ, দক্ষিণে কোঠাকুঠি ধনুভাঙা, পূবে দীঘলী গাঁও আৰু পশ্চিমে পাল্লীগুৰি পথাৰ। গাঁওখনৰ দক্ষিণ পশ্চিম দিশত থকা দেওশিলা আৰু মাৰ্কি নদী, বৃহৎ শালনি, ডাঙাৰ ডোবা, বাঘেখোৱা, লাহাদিয়া, পাৰপুতা পিতনি সমূহ, পাল্লীগুৰি আৰু বানাদল পথাৰ আদিয়ে মাছলাম গাঁৱৰ ৰাভা জনগোষ্ঠীৰ জীৱন শৈলী প্ৰভাৱিত কৰি আছে।

**নামৰ উৎপত্তি ঃ**

মাছলাম গাঁওখনৰ নামকৰণ কিদৰে হৈছিল তাৰ সঠিক বিৱৰণ পোৱা নাযায়। ইয়াৰ নামৰ উৎপত্তি সম্পৰ্কে নানা প্ৰবাদ আছে যদিও কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভা আৰু স্থানীয় ব্যক্তি হৰিশ ৰাভাৰ কথোপকথনৰ পৰা গৃহীত ধাৰণাটো অধিক গ্ৰহণযোগ্য বুলি চৰ্চিত হৈ আছে। কলাগুৰু জনৰ যাযাবৰী আৰু পলৰীয়া জীৱন প্ৰণালীত প্ৰায়ে মাছলাম গাঁৱত তেওঁৰ পদাৰ্পণ ঘটিছিল। মাছলাম গাঁৱত আলহী হৈ থকাৰ সুবাদতে এবাৰ কথাপ্ৰসঙ্গত মাছলাম নাম কিয় হ'ল বুলি সোধা প্ৰশ্নৰ উত্তৰত হৰিশ ৰাভাই কৈছিল যে পূৰ্বৰে পৰা প্ৰচুৰ জলাশয় সমৃদ্ধ মাছলামত নানা প্ৰকাৰ মাছৰ পয়োভৰৰ বাবে ঠাইখনৰ নাম মাছলাম হৈ পৰে। কলাগুৰুজনৰ প্ৰতিক্ৰিয়া নঞাৰ্থক আছিল যদিও তেখেতে আন ব্যাখ্যা দাঙি ধৰাৰ তথ্য পোৱা নাযায়। তথাপিও ইয়াৰ সত্যতা অস্বীকাৰ কৰাৰ থল নাই।

নদী-পাৰ্শ্ব আৰু বহুতো প্ৰাকৃতিক খাল-ডোবা পিতনিৰ প্ৰাচুৰ্যৰ বাবে মাছলাম আজিও মাছৰ বাবে জনাজাত। আজিও ধূপধৰা অথবা পাৰ্শ্ববৰ্ত্তী বজাৰত মাছলামৰ মাছৰ পয়োভৰে সত্যতা প্ৰমাণ কৰে। তদুপৰি ৰাভা সংস্কৃতিৰ অন্যতম প্ৰতীক মাছলেংকা চৰাইৰ পৰাও মাছলাম শব্দটোৰ সম্পৰ্ক থাকিব পাৰে বুলি অনুমান কৰাৰ থল নথকা নহয়।

জীৱন জীৱিকা ঃ

মাছলাম গাঁৱৰ জনসাধাৰণৰ জীৱন-জীৱিকাৰ প্ৰধান সম্বল হ'ল কৃষি আৰু আনুষঙ্গিক কৰ্মৰাজী। কৃষিয়ে জনসাধাৰণৰ ঘাই জীৱিকাৰ উপায় যদিও ইয়াৰ কৃষি প্ৰণালী বছৰত এবাৰ 'শালিধান' খেতিতেই নিমজ্জিত হৈ আছে। কৃষিজীৱি ৰাভা জনসাধাৰণৰ কৃষি উপযোগী জমিৰ পৰিমাণ সংকুচিত হোৱাৰ সমান্তৰালকৈ প্ৰায় কুৰি শতাংশ কৃষি জমিহীন লোক বৰ্ত্তমান মাছলাম গাঁৱত থকা দেখা যায়। বৃহৎ আকাৰৰ কৃষি জমি অধিকাৰী এজনো নথকাৰ বিপৰীতে অধিক সংখ্যক গৃহস্থৰ কৃষিজমিৰ পৰিমাণ সৰ্বোচ্চ ৭-৮ বিঘাত সীমিত হৈ থকা দেখা যায়। গাঁওখনৰ ২৫০ ঘৰ ৰাভা জনসাধাৰণৰ শিক্ষা প্ৰাপ্তিৰ হাৰ আনঠাইৰ তুলনাত কম নহয় যদিও উচ্চ শিক্ষাৰে শিক্ষিতৰ হাৰ আশাব্যঞ্জক নহয়। উচ্চ শিক্ষা আহৰণ কৰা সকলৰ মাজৰ ৫ গৰাকী মহিলা সহ প্ৰায় ৩২ গৰাকী লোক চৰকাৰী চাকৰিত মকৰল হৈ আছে। এই সকলৰ ভিতৰত এজন অধ্যা পককে ধৰি ২জন বেঙ্ক কৰ্ম্মী, এজন কাগজ কলৰ কৰ্মী আৰু অধিক সংখ্যকে শিক্ষক আৰু চিপাহী।

উল্লেখযেগ্য যে মাছলাম গাঁৱৰ প্ৰতিটো গৃহস্থৰ বাগান শস্য কৰিব পৰা গুণ সম্পন্ন বাৰীমাটি যথেষ্ট আছে যদিও এই দিশত গাঁওবাসীৰ কৰ্মস্পৃহা দেখা নাযায়। পৰম্পৰাগত তামোল-বাঁহ-কঁঠাল আদিৰ বাহিৰে অধিক মূল্য প্ৰদানকাৰী বাগান শস্যৰ প্ৰচলন এই গাঁৱত গঢ়ি উঠা দেখা নাযায়। অনেক সংখ্যক গএগ্ৰাৰে বাৰীসমূহ চন পৰি থকা দেখা যায়। আধুনিক পদ্ধতিৰে অলপ মান বাৰী মাটিত অধিক পৰিমাণ শস্য উৎপাদন কৰিব পৰাৰ সময়ত এইদৰে জমি খালি পৰি থকাটো উচিত নহয়।

মাছলাম গাঁৱৰ ঘাই খেতিৰ বাবে দেওশিলাৰ পানী যোগান প্ৰকল্প আৰু

মার্কিৰ পানী যোগান প্ৰকল্পৰ উপযুক্ত ব্যৱহাৰ কৰি উৎপাদিকা বৃদ্ধি কৰিব পৰাৰ থল আছে। এই আঁচনি সমূহৰ পানী ব্যৱহাৰ কৰি বছৰৰ বাৰটা মাহে খেতি কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিলে পৰিয়ালসমূহৰ উপাৰ্জন বৃদ্ধি কৰিব পৰা যায়। উল্লেখ্য যে উক্ত প্ৰকল্প দুটা সাকাৰ ৰূপ দিয়াৰ ক্ষেত্ৰত মাছলাম গাঁওবাসীৰ অৰিহণা লুকাই আছে। এই গাঁৱৰ সুযোগ্য ব্যক্তি শ্ৰীধনেশ্বৰ ৰাভাদেৱৰ দীৰ্ঘদিনীয়া অহোপুৰুষাৰ্থ জড়িত হৈ আছে। সেইবাবে মাছলাম বাসীয়ে এই প্ৰকল্পক কেন্দ্ৰ কৰি এক কৃষি বিপ্লৱৰ সূচনা কৰা উচিত।

**সামাজিক সাংস্কৃতিক পৰম্পৰা ঃ**

মাছলাম গাঁওখনৰ জনসাধাৰণৰ শিক্ষা সংস্কৃতিৰ প্ৰতি আগ্ৰহেই এক জাগৰণৰ সৃষ্টি কৰিছে বুলি ক'ব পাৰি। উচ্চ শিক্ষা প্ৰতিষ্ঠানত মাছলাম গাঁৱৰ পৰা বৰ্ধিত ছাত্ৰ-ছাত্ৰীৰ সংখ্যাই ইয়াৰ প্ৰমাণ। পূৰ্বৰ বছৰ সমূহৰ তুলনাত মেট্ৰিকৰ ডেওনা পাৰ হোৱা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বৃদ্ধিয়ে শৈক্ষিক বাতাবৰণত বাৰুকৈয়ে প্ৰভাৱ পেলায়। ইয়ে ক্ৰমে সামগ্ৰিক উন্নতিত ভৱিষ্যতে প্ৰভাৱ পেলাব। গাঁওখনত যদিও উচ্চ শিক্ষানুষ্ঠান নাই তথাপি ইয়াত এখনকৈ প্ৰাথমিক আৰু মধ্য ইংৰাজী বিদ্যালয়ে প্ৰাথমিক পৰ্যায়ৰ শিক্ষাৰ অভাৱ পূৰণ কৰি আছে। উচ্চ আৰু উচ্চতৰ শিক্ষা আহৰণৰ বাবে মাছলাম গাঁওখনৰ গাতে লাগি থকা ধূপধৰাত কেবাখনো হাইস্কুল আৰু এখন মহাবিদ্যালয়ৰ সুবিধা মাছলাম গাঁওবাসীৰ বাবে উপলব্ধ হৈ আছে। সেইদৰে স্বাস্থ্য সেৱাৰ সুবিধাৰ বাবে গাঁওখনতে এটা উপ স্বাস্থ্যকেন্দ্ৰ থকাৰ উপৰিও মাত্ৰ ডেৰ দুই কিলোমিটাৰ দূৰত্বত বিকালী মডেল হস্পিতালৰ সুবিধা আছে। তদুপৰি গাঁওখনৰ গাতে লাগি থকা কোঠাকুঠিত মধ্য ইংৰাজী বিদ্যালয় আৰু প্ৰাথমিক বিদ্যালয়ে শিক্ষা সুবিধা প্ৰদান কৰি আছে। মাছলাম বাসী সৌভাগ্যবান যে কোঠাকুঠিত কাৰিকৰি এখন কেন্দ্ৰীয় শিক্ষানুষ্ঠান নিৰ্মিয়মান অৱস্থাত আছে। মাছলাম গাঁওবাসীয়ে পশুধন পালন তথা এইবোৰৰ স্বাস্থ্য সুবিধাৰ বাবে গাঁৱৰ গাতে লাগি থকা কোঠাকুঠিৰ ৰাজ্যিক পশু-চিকিৎসালয়ৰ সুবিধা গ্ৰহণ কৰি আছে। ইয়াৰ উপৰিও কোঠাকুঠিত St. Francis নামৰ ইংৰাজী মাধ্যমৰ খ্ৰীষ্টিয়ান মিচনৰ প্ৰাইভেট হাইস্কুল এখন আছে।

**যাতায়াত ঃ**

মাছলাম গাঁওখন ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ নিচেই কাষত অৱস্থিত আৰু ধূপধৰা ৰেলষ্টেচনৰ ওচৰত অৱস্থান গ্ৰহণ কৰি থকাৰ বাবে ইয়াৰ যাতায়াত ব্যৱস্থা যথেষ্ট উন্নত বুলি অভিহিত কৰিব পাৰি। তদুপৰি গাঁওখনৰ সোঁমাজেৰে পকী ৰাস্তাৰে ব্যৱসায়িক আৰু শিক্ষা কেন্দ্ৰ ধূপধৰা আৰু কোঠাকুঠি সংলগ্ন হৈ থকাৰ বিপৰীতে আনফালে খেকাপাৰা আৰু শাচিবৰিলৈও এই গাঁওখন সুচল ভাৱে সংযোজিত হৈ আছে। যাতায়াত যোগাযোগৰ ভাল ব্যৱস্থা থকা বাবে শিক্ষা আহৰণৰ লগতে হাট বজাৰৰ সুবিধা মাছলামবাসীৰ বাবে যথেষ্ট সুলভ হৈ আছে। গাঁওখনত খেলা-ধূলাৰ লগতে সাংস্কৃতিক বাতাবৰণ বিদ্যমান।

ওপৰত আলোচিত আৰ্থ-সামাজিক পৰিকাঠামোৰ ভিতৰত মাছলাম বাসী ৰাইজে প্ৰচলিত ৰাভা সমাজৰ আধ্যাত্মিক ৰীতি-নীতিৰ মাজত সমাজ পৰিচালনা কৰি আছে। মহিলা সবলীকৰণৰ লক্ষ্যত উপনীত হোৱা আৰু মহিলা স্বাৱলম্বী বাস্তবায়িত কৰাৰ বাবে ধৰ্মীয় ৰীতি-নীতিৰ মাজত থাকিও এই গাঁৱত এক মহিলা সমিতিৰ জন্ম দি কাৰ্য্য পৰিচালনা কৰি থকা হৈছে। ধৰ্মীয় ৰীতি-নীতিত সাঙোৰ খাই থকাৰ বাবে এই গাঁৱত বিভিন্ন মন্দিৰ থান আদি সজীৱ কৰি ৰখা হৈ আছে। এইবোৰৰ ভিতৰত জগতগুৰু নামঘৰ, কামাখ্যা মন্দিৰ, ঠাকুৰাণী থান, বৰমানী থান, শিৱ মন্দিৰ, লাঙামাৰা মন্দিৰ, মহাদেৱ মন্দিৰ আদিয়ে আজিও মাছলামবাসীৰ আধ্যাত্মিক চেতনা জাগৃত কৰি ৰখা দেখা যায়।

**মন্তব্য ঃ**

ৰাভা জনগোষ্ঠীৰ সৰহ সংখ্যক লোক গাঁৱত বসবাস কৰা হেতু তেওঁলোকৰ জীৱন পৰিক্ৰমা প্ৰধানত কৃষি-নিৰ্ভৰশীল। ভাৰত স্বাধীন হোৱাৰ তিনিকুৰিৰো অধিক বছৰ অতিক্ৰম কৰাৰ পিছতো এই জনগোষ্ঠীৰ বসতি প্ৰধান অঞ্চল সমূহত বিভিন্ন আৰ্থ-সামাজিক আন্তঃগাথনিৰ অভাৱ পৰিলক্ষিত হৈ থকা দেখা যায়। বিভিন্ন ৰাভা গাঁৱৰ তুলনাত মাছলাম গাঁওখন যথেষ্ট উন্নত বুলি কলেও এই গাঁওবাসীৰ জীৱন-জীৱিকাৰ বিশেষ পৰিবৰ্ত্তন হৈছে বুলি ক'ব নোৱাৰি। ঠাই এখনৰ পৰিবৰ্ত্তনৰ প্ৰাক চৰ্ত্ত হ'ল সেই ঠাইৰ ভেঁটি সদৃশ কৃষি খণ্ডৰ দ্ৰুত বিকাশ। এই দৃষ্টিকোণৰ পৰা চালে পূৰ্ণ গ্ৰাম্য প্ৰধান মাছলাম গাঁৱৰ

কৃষি ব্যৱস্থাৰ একো পৰিবৰ্ত্তন হোৱা নাই। পৰিবৰ্ত্তিত পৰিস্থিতিত কৃষি কৰ্মৰ ভিন্ন-মুখীতা অপৰিহাৰ্য্য হৈ পৰিছে। ইতিমধ্যে সংকুচিত আৰু অনুৰ্বৰ হৈ পৰা জমিৰ উৎপাদিকা বৃদ্ধি কৰাৰ স্বাৰ্থতেই কৃষি বিপ্লৱৰ সূচনা কৰা জৰুৰী। কৃষি বাণিজ্যিকীকৰণ কৰিব পাৰিলেহে ক্ৰমে উদ্যান শস্যৰ প্ৰসাৰ আৰু সেৱা খণ্ডৰ বিকাশ সম্ভৱ কৰি তুলিব পাৰি। শিক্ষা বিস্তাৰৰ লগতে কৃষি কৰ্ম্মক বিজ্ঞানসন্মত কৰি তোলা মাছলামবাসী ৰাইজৰ বাবে অপৰিহাৰ্য হৈ পৰিছে। যাই উৎস কৃষিক উন্নত কৰিব পাৰিলেহে উন্নয়ণৰ আনুষঙ্গিক উপকৰণ উপলব্ধ কৰাত সহজ হয়।

সৌজন্য ঃ *সৰ্বশ্ৰী- ধনেশ্বৰ ৰাভা, সৰ্বেশ্বৰ ৰাভা, সুনীল ৰাভা, অমল ৰাভা, দীপক ৰাভা।*

•••